# অসমীয়াৰ আত্মসংৰক্ষণৰ প্ৰণালী

১৬৬৯ খৃষ্টাব্দৰ ফেব্ৰুৱাৰী মাহত ৰামসিংহই সীমান্তত থকা ৰঙামাটি থানা পালেহি। অসমীয়া সেনাপতিসকলে গুৱাহাটীত একেলগ হৈ কামাখ্যা গোসাঁনীলৈ তুতি-মিনতি কৰিলে, বোলে—"হে মাও, বঙালখিনিক খাই দিয়া আৰু আমাক ৰক্ষা কৰা।" লাচিত ফুকনে এই বুলি আজ্ঞা প্ৰচাৰ কৰিলে, বোলে—"প্ৰতিটো ৰণুৱাই নিজৰ কৰ্তব্য কপ্ কপীয়াকৈ পালন নকৰিলে আৰু কোনো সেনাপতি বা ৰণুৱাৰ অৱহেলাৰ প্ৰমাণ পালে, তুৰন্তে শিৰচ্ছেদ কৰা হব, স্বৰ্গদেৱৰ হস্তক্ষেপৰ কথা পিচতহে আহিব।" নতুন প্ৰণালীমতে সৈন্যবোৰক সজোৱা হ'ল। প্ৰতিজন সৈন্যৰ টোপোলা, সাজ আৰু অস্ত্ৰ-শস্ত্ৰ একেবাৰে নোৱাৰাকৈ কম, কৰা হ'ল। ভৈয়ামৰ মাটিৰ গড়ত ছ-হাত অন্তৰে আৰু পাহাৰৰ গাত ন-হাত অন্তৰে একোটা ৰণুৱা থোৱা হ'ল। প্ৰতিটো পালী কিমান দীঘল হব আৰু তাত কি ধৰণৰ আৰু কেইটা হিলৈ থাকিব তাকো ধাৰ্য কৰা হ'ল। গড় আৰু পৰ্বতৰ দীঘ পৰিমাণ সঠিককৈ জুখি তাক কাকতত লিখা হ'ল। পানীৰ ওপৰত গড় বান্ধিবলৈ যি যি সঁজুলিৰ আৱশ্যক তাকো পুঙ্খানুপুঙ্খকৈ লিপিবদ্ধ কৰা হ'ল। গুৱাহাটীৰ চাৰিওমেৰে অৱস্থিত কোঠ-প্ৰাঙ্কিৰ প্ৰতিটো অংশত একোজন সামৰিক বিষয়া লগৰ সৈন্যৰ সৈতে সষ্টম হৈ আছিল। ইয়াৰ পৰিণামত গুৱাহাটীৰ চাৰিওমেৰে লগা-লগিকৈ দুৰ্ভেদ্য গড় প্ৰস্তুত হৈছিল। ৰণক্ষেত্ৰত যি আয়োজনৰ সিদ্ধান্ত হৈছিল তাক কাকতত লিখি থোৱা হ'ল, যাতে সেইবোৰ আপোনা-আপুনি অনুসৰণ কৰিব পাৰি আৰু যাতে আনুষঙ্গিক সামৰিক আয়োজনত কোনো ব্যাঘাত নজন্মে।

প্ৰতিজন সেনাপতিৰ অধীনত থকা সামৰিক খণ্ডক অসমীয়াই পালী বুলি কৈছিল। সেনাপতিজনৰ তলত এক ফৌজ সৈন্য আছিল,

লগত অস্ত্র-শস্ত্র, খাৰ-বাৰুদ আৰু অন্য আহিলা-পাতি যথেষ্ট আছিল। তেওঁৰ তলত ভালেমান অঘাইট সাহসী সৈন্য আছিল, তেওঁলোকক চোৰবচা বোলা হৈছিল। শত্রুপক্ষৰ গতি-বিধি আৰু উদ্দেশ্যৰ বিষয়ে চোৰবচা সৈন্যই বাতৰি সংগ্ৰহ কৰিছিল; যাতে এওঁলোকৰ সৈন্যবাহিনীয়ে নিৰাপদে থাকিব পাৰে। তেওঁলোকৰ কৰ্তব্য সাধনত অপৰিসীম সাহস আৰু উপস্থিত বুদ্ধিৰ প্ৰয়োজন হৈছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণে থকা গড়ত কোনো ঠাইত উদং নোহোৱাকৈ আৰু লানী নিছিগাকৈ পালী নিবন্ধ-কৰা হৈছিল। ৰামসিংহৰ সৈন্যৰ বিৰুদ্ধে অনুষ্ঠিত যুদ্ধ-প্ৰণালীৰ লগত খাপ খোৱাকৈ পালীবোৰ ১৬৬৯ খৃষ্টাব্দত নতুনকৈ সংগঠিত হয়, যথা—

দক্ষিণকূলে: গোটেই খণ্ড ববসেনাপতি লাচিত বৰফুকনৰ তলত আছিল। তেওঁৰ ছাউনি আছিল শুক্ৰেশ্বৰ বা ইটাখুলি পাহাৰত। তেওঁ তৰোৱাল আৰু ধনুৰে সজ্জিত আছিল। মূৰত তেওঁ বণটুপি পিন্ধিছিল। তেওঁৰ মুখ আছিল বহল, পূৰ্ণিমাৰ চন্দ্ৰৰ নিচিনা, কোনেও মুখলৈ চাবলৈ সাহ নকৰিছিল।

বৰগোঁহাই পৰিয়ালৰ খহুৱা পাত্ৰ গোহাঁই-ফুকন, এওঁ আছিল আমৰাজুৰিৰপৰা পাণ্ডুলৈকে, এইখণ্ড পালীৰ সেনাপতি।

লুথুৰি-চেটিয়া ওপৰদৈয়ঙ্গীয়া ৰাজখোৱা, ৰাঙলীবুৰুজৰপৰা কামাখ্যালৈ উঠা পশ্চিম খটখটিলৈকে, লগত ৮০ জন চোৰবচা সৈন্য। তেওঁ যুদ্ধৰ ঘোঁৰাত উঠি ফুৰিছিল, মূৰত পিন্ধিছিল বণটুপি, হাতত লৈছিল তৰোৱাল, ধনু আৰু যাঠি।

লাটুম দোলাকাষৰীয়া বৰুৱা, কামাখ্যাৰ পশ্চিম খটখটিৰপৰা ছুৱাৰ-গঁড়িলালৈকে, লগত ৩৬০ জন চোৰবচা। আকৃতি দীঘল, তৰোৱাল লৈ ঘোঁৰাত উঠি ফুৰিছিল, আৰু গাঁটিমাৰি কাপোৰ পিন্ধিছিল।

বৰচেং গোহাঁই, এওঁ ত্বৰাৰ-গঁড়িলাবপৰা পাৰঘোপালৈকে, লগত ৩৬০ জন চোৰবচা, হাতত এখন চোকা তৰোৱাল।

পাকুৰা বাণ্ডকিয়াল বৰগোহাঁই, পাৰঘোপাৰপৰা ধেনুখিৰীয়ালৈকে, লগত ৮০ জন চোৰবচা, হাতত তৰোৱাল।

বেথাবৰ হাজৰীকা লেকাই চেটিয়া, গোটানগৰৰপৰা ফটাশিললৈকে, লগত ৬০ জন চোৰবচা, মূৰত ৰণটুপি, হাতত হেংদান আৰু যাঠি, মানুহজন চুটি-চাপৰ আৰু গাঁথলু, দেখাত ক'লাবৰণীয়া।

নেওগ গোহাঁই, ফটাশিলৰপৰা অসুৰৰ আলিৰ মূৰলৈকে, চুটি-চাপৰ আৰু সৰুসজীয়া, খৰকৈ খোজ কাঢ়ে, মূৰত ৰণটুপি, হাতত যাঠি আৰু বেঁকা তৰোৱাল।

বৰগোহাঁই পৰীয়া হাটবায় কলিয়াবৰীয়া গোহাঁই-ফুকন, অসুৰৰ আলিত, লগত ১০০ জন চোৰবচা, গা পাতল, খোজত খৰ, হাতত যাঠি আৰু দা, মূৰত ৰণটুপি, কাপোৰৰ গাঁটি মাৰিছিল। দোলাত উঠি পালী চাই ফুৰিছিল, চালে ভয় লাগে।

বৰগোহাঁই পৰীয়া লহমন মৰঙ্গীখোৱা চেটিয়া, অসুৰৰ আলিৰ দক্ষিণে পৰ্বতত, লগত ১০০ জন চোৰবচা, গা পাতল, দেখাত ক'লা আৰু চিকচিকীয়া, মূৰত ৰণটুপি আৰু গাত ক'লাপাৰৰ বৰণৰ গাঁটি মাৰিছিল। হাতত তৰোৱাল লৈ ডাঙৰ মাতেৰে আজ্ঞা প্ৰচাৰ কৰি পালী চাই ফুৰিছিল।

বৰগোহাঁই-পৰীয়া জাতি চন্দন নামদৈয়ঙ্গীয়া ৰাজখোৱা, উষাহৰণ পৰ্বতত, লগত ৮০ জন চোৰবচা, বৰণ তেজগোৰা, চকু তামবৰণীয়া, চাবলৈ ভয় লাগে, মূৰত ৰণটুপি, মহৰঙীয়া গাঁটি, হাতত তৰোৱাল আৰু ধনু।

বুঢ়াগোহাঁই-পৰীয়া বৰহাজৰিকাৰ পুতেক চক্ৰপাণি বাটবৰ তৰশলঘৰীয়া ৰাজখোৱা, উষাহৰণ পৰ্বতৰপৰা ওভোতাশিমলুৰ বাটত, লগত ৮০ জন চোৰবচা, দেখাত ধোঁৱাবৰণীয়া, পালীৰ মাজেদি

খৰকৈ খোজ কাঢ়ি ফুৰে, হাতত তৰোৱাল, ধনু আৰু শকত টাঙোন।

দক্ষিণকূলে ব্ৰহ্মপুত্ৰৰ পানী ৰক্ষা কৰিছিল ঃ

নৈৰ ওপৰত সজা পানীগড়ৰ পৰিৰক্ষক আছিল নামদঙীয়া ৰাজখোৱা, তেওঁৰ তলত আছিল ১০৪ গোট ৰখীয়া আৰু নাওঁবৈচা।

টঙ্গচুৰ পুতেক চেটাই পানী শলগুৰীয়া ৰাজখোৱা, লগত ৮০ জন চোৰবচা।

টঙ্গচু দিখৌমুখীয়া ৰাজখোৱা, লগত ৮০ জন চোৰবচা।

কলঞ্চু সন্দিকৈ নেওগ, লগত ৮০ জন চোৰবচা।

উত্তৰপাৰে ঃ মহামন্ত্ৰী বাঁহগৰীয়া আতন বুঢ়াগোহাঁই ৰাজমন্ত্ৰী স্বয়ং নিজে গুৱাহাটীৰ উত্তৰকূলৰ সৈন্যৰ অধিপতি আছিল। তেওঁৰ বাহৰ আছিল লথিয়া পৰ্বতত, লগত আছিল ৮০ জন চোৰবচা, আকৃতি দীঘল আৰু খোজ ৰাজহংস গতি, মুখ বহল, কপালত ছুটা তিল, বৰণ তেজগোৰা, গাঁটি ম'হ-বৰণীয়া, হাতত হেংদান।

বৰগোহাঁই-পৰীয়া শেন গোহাঁই বৰ-অভয়-পুৰীয়া ৰাজখোৱা, জুৰিয়াৰপৰা শৰাইলৈকে পালীৰ সেনাপতি, লগত ৮০ জন চোৰবচা, আকৃতি দীঘল, বৰণ তেজগোৰা, মাত ডাঙৰ আৰু গলগলীয়া, খোজ খৰ, দেখিলে ভয় লাগে, মূৰত ৰণটুপি, ক'লা বৰণীয়া গাঁটি, হাতত দা, ধনু আৰু যাঠি।

ফুল বৰুৱাৰ ভতিজাক মাজিও-অভয়পুৰীয়া ৰাজখোৱা, শৰাই সন্মুখে বাহৰ, কেকুৰীলৈকে পালী, ৮০ জন চোৰবচা, গা পাতল, দেখিবলৈ ধুনীয়া, ম'হবৰণীয়া গাঁটি, মূৰত ৰণটুপি, হাতত তৰোৱাল, ধনু, ছুটা-ছুটা জোৰ আৰু ছুটা চক। পালীত খৰকৈ খোজ কাঢ়ি ফুৰে, ৰঙচুৰা চুলি আৰু চকু। ইফালে-সিফালে যাওঁতে শত্ৰুৰ প্ৰতি নিৰ্ভীক ভাব দেখুৱাই ফুৰে।

লানমাখৰুৰ হৰিবৰ সৰু-অভয়পুৰীয়া ৰাজখোৱা, কেকুৰীৰপৰা

লথিয়া পৰ্বতলৈকে পালী, চকু অলপ কেঁৰা, পালীৰ মাজে-মাজে খৰকৈ খোজ কাঢ়ি ফুৰে।

মিৰি-সন্দিকৈ ফুকন, লথিয়াৰপৰা চিলা পৰ্বতলৈকে পালী, বৰচিলা পৰ্বত আৰু সৰুচিলা পৰ্বত এই দুয়ো ঠাইৰ সৈন্যৰ সেনাপতি, বৰণ ক'লা, চকু ৰঙচুৱা, খোজ অতি খৰ, কোনো ঠাইত থিৰ হৈ থাকিব নোৱাৰে, সদায় খোজকাঢ়ি ফুৰে, দেখিলে ভয়লগা, হাতত তৰোৱাল আৰু ধনু, আৰু গাঁঠি মাৰি কাপোৰ পিন্ধিছিল।

হাজৰিকা বৰুৱা, সৰুচিলা পৰ্বতৰ এছোৱাত আছিল, আৰু নেওগ বৰুৱা আনছোৱাত। প্ৰতিজনৰে ৮০ চোৰবচা। দুয়োকে দেখিলে ভয় লগা, তৰোৱাল দাঙি পালীত খৰকৈ খোজ কাঢ়ি ফুৰে, কাষত ধনু।

সৰুজনা দুৱৰা লেচাই তৰুৱা-দিহিঙ্গীয়া ৰাজখোৱা, পালী চিলা পৰ্বতৰপৰা সিন্দূৰীঘোপা খৰাগৰুৱা আলিলৈকে গজ-গম্ভীৰ হৈ পালীত খোজ কাঢ়ি ফুৰে, বৰণ তেজগোৰা, বুকু বহল, কঁকাল খামুচীয়া, হাতত দা, কাষৰত ধনু, মূৰত ৰণটুপি।

চাৰিঙ্গীয়া পেলন ফুকন, পালী খৰাগৰুৱা আলিৰপৰা ৰঙমহল-লৈকে, লগত ১২০ চোৰবচা, হাত আৰু ভৰি চুটি আৰু গাঁথলু, বৰণ ধোঁৱা-বৰণীয়া, দেখিলে ভয়লগা, হাতত হেংদান, ধনু আৰু বাৰু, ম'হ-বৰণীয়া গাঁঠি আৰু ঘূৰণীয়া টুপি।

টোৱা গোঁহাই গজপুৰীয়া ৰাজখোৱা, পালী ৰঙমহলৰপৰা আদমৰ শিললৈকে, লগত ১০০ চোৰবচা, চুটি-চাপৰ, হাতত তৰোৱাল আৰু যাঠি, মূৰত ৰণটুপি, ম'হবৰণীয় গাঁঠি।

স্বৰ্গদেৱৰ ভায়েক মৰাণ গোহাঁই, আদমৰ শিলৰপৰা কানাই-বৰশীবোৱা শিললৈকে, লগত ৮০ চোৰবচা।

শদিয়া খোৱা ৰূপসন্দিকৈ, কানাইবৰশী বোৱা শিলৰপৰা চাহ বুৰুজলৈকে পালী।

কুৰুৱাত বাঘ চোৱাল বৰপাত্ৰ গোহাঁই, লগত ১২০ চোৰবচা, বৰণ তেজগোৰা, য'লৈকে যায় সকলোৱে সহাঁৰি পায়, হাতত মাথোন এখন তৰোৱাল, দ মাটিত পালী।

বৰপাত্ৰ গোহাঁইৰ পালীৰ ওচৰতে ভায়েক বাইদঙ্গীয়া ফুকনৰ পালী, ৮০ চোৰবচা, দেখিবলৈ অতি ধুনীয়া।

ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে পানীৰ চৰ্দাৰ আছিল দিহিঙ্গীয়া ফুকনৰ ভতিজাক পানী দিহিঙ্গীয়া ৰাজখোৱা, লগত ৮০ চোৰবচা। আৰু বুঢ়াগোহাঁই ফুকনো আছিল, লগত ১০০ চোৰবচা।

তলত নাম দিয়া বিষয়াসকলো দুয়োপাৰে মুখিয়াল সেনাপতি আছিল, কিন্তু তেওঁলোকৰ পালীৰ বিষয়ে সঠিককৈ জানিব পৰা নেযায়, বৰগোহাঁই পৰীয়া কমলাকান্ত অভয়পুৰীয়া ৰাজখোৱা, ফুলবৰুৱাৰ পুতেক হলধৰ দুৱৰা; লুথুৰীৰ পুতেক দৈয়ঙ্গীয়া ৰাজখোৱা, পাপং ফৈদৰ চাওদাং বৰুৱা, ৰাইদঙ্গীয়া ফুকন, চেৰেগুৱাল ফুকন আৰু দিহিঙ্গীয়া ফুকন।

সতৰ্ক আৰু সাৱধান হৈ থাকিলেহে স্বাধীনতা ৰক্ষা কৰিব পাৰি। ৰামসিংহই দিল্লী এৰাৰ পিচৰ পৰাই অসমীয়া চোৰাংচোৱাই তেওঁৰ গতিবিধি অনুসৰণ কৰি আহিছিল। ৰামসিংহই ঢাকা এৰাৰ বাতৰি লাচিত বৰফুকনক তুৰন্তে জনোৱা হ'ল। ৰামসিংহ ৰঙ্গামাটি পাওঁতে মানাহাত থকা আহোম সেনাপতিসকলে শত্ৰুৰ অগ্ৰগতি ৰোধ কৰিবলৈ চেষ্টা কৰিছিল। দুয়োপক্ষৰে মাজত সৰুসুৰা যুদ্ধ হৈছিল, তাত অসমীয়া সৈন্যৰ পৰাজয় ঘটিল। ৰামসিংহই এহেজাৰ হেঙাল কুকুৰ লগত আনিছিল, ধোঁৱাৰ আঁৰত সেই-কুকুৰে যুদ্ধৰ পালীৰপৰা আমাৰ সৈন্যক কামুৰি চোচোৰাই লৈ গৈছিল। সিহঁত জাক পাতি নহাৰ কাৰণে এটা-দুটাকৈহে মাৰিব পৰা গৈছিল। অসমীয়া সৈন্য এনে অৱস্থাৰ সন্মুখীন হবলৈ সাজু নাছিল, সেইদেখি তেওঁলোকে সীমান্তৰ থানা ত্যাগ কৰি গুৱাহাটীলৈ উজাই আহিব ধৰিলে।

সীমান্তত শত্ৰুসৈন্যক আগভেটি ধৰা অসম্ভৱ হেন জানি লাচিত বৰফুকনে আত্মৰক্ষাৰ কাৰণে এটি নতুন প্ৰথা উদ্ভাৱন কৰিলে।

গুৱাহাটীৰ চাৰিওমেৰে পৰ্বতমালা, তাৰ মাজে-মাজে যথাস্থানত দুৰ্গ আৰু বুৰুজ, সেইদেখি গুৱাহাটীৰ ৰণবেহুৰ মাজলৈ শত্ৰুসৈন্যক সুমাই লবলৈ বৰফুকনে চেষ্টা কৰিলে। সেই অৰ্থে মোগল সৈন্যক গুৱাহাটীৰ সমীপলৈ আনিবলৈ তিনিজনা ৰাজখোৱা পঠিয়ালে। কোনো বাধা নোপোৱাকৈ ৰামসিংহ অসমৰ পানীবেহুৰ মাজত সোমাল, তেওঁ ভাবিলে, অসমে ভয় কৰিহে শত্ৰুক কোনো বাধা দিয়া নাই। ৰামসিংহৰ সৈন্যই দেখা পোৱাকৈ, কিন্তু মোগলৰ হিলৈৰ গুলীয়ে ঢুকি নোপোৱাকৈ, ৰাজখোৱা কিজনৰ সৈন্য উজাই আহিবলৈ ধৰিলে। ৰাতি বেলিকা ৰাজখোৱাসকলে, নৈৰ পাৰত বাহৰ কৰি থাকিল। বাহৰত কলগছ পুতি তাত জোৰ আঁৰি থয়। পুৱা হলে অসমীয়া সৈন্যই নাৱত উঠি ৰামসিংহৰ আগে আগে উজাই আহিবলৈ ধৰে, যেন সিহঁতে ৰণ নকৰি পিচ হুঁহকি আহিছে। বিনা প্ৰতিবন্ধকে ব্ৰহ্মপুত্ৰই দি উজাই আহিবলৈ পাই ৰামসিংহই নিজকে নবাব মীৰজুমলাৰ দৰে সৌভাগ্যবান বুলি ভাবিবলৈ ধৰিলে। ষষ্ঠদিনা অসমীয়া সেনাপতি দিহিঙ্গীয়া ৰাজখোৱাৰ ভাগৰ দুটা মানুহ বাহৰত টোপনিতে থাকিল, ৰামসিংহৰ মানুহে তাহাঁতক ধৰি সেনাপতিৰ আগত হাজিৰ কৰিলে। ৰামসিংহই সিহঁতক এৰি দি কলে, "তহঁতৰ বৰফুকনক কবিগৈ মোক একঘড়ি লেঢ়াই দিবলৈ।"

বৰফুকনে আদেশ প্ৰচাৰ কৰিছিল যে কৰ্তব্য অৱহেলা কৰা মানুহক তেওঁ শিৰচ্ছেদ কৰিব, এই আদেশত গ্ৰীচৰ স্পাৰ্টান জাতিৰ কঠোৰতা নিহিত আছিল। এই আদেশ শুনি বুঢ়াগোহাঁই সমন্বিতে সকলোৱে দঁড়িলে। ৰক্তপাত হোৱা মৃত্যুদণ্ড অকল স্বৰ্গদেৱেহে বিহিব পাৰে, বৰফুকনে তেনে মৃত্যুদণ্ড দিলে স্বৰ্গদেৱৰ ৰাজক্ষমতা অমান্য কৰা হয়। যুদ্ধ হেন সমস্যাৰ কালত বৰফুকনৰ আদেশ যথো-

পযোগী আৰু সমীচীন আছিল। এই আদেশৰ কথা গুৱাহাটীৰ মানুহে চক্ৰধ্বজসিংহ স্বৰ্গদেৱক চ'ৰাত বহি থাকোতে জনালেগৈ। স্বৰ্গদেৱে পাচে মতামত দিম বুলি কলে। ৰাতি স্বৰ্গদেৱে মন্ত্ৰীসকলৰ সৈতে সমালোচনা কৰিলে। এনেতে বৰকুঁৱৰীয়ে কাপোৰৰ আঁৰৰ-পৰা মাত লগালে, বোলে, "বৰফুকনক নিজৰ আজ্ঞা মতে কাম কৰিবলৈ দিলেহে গো-ব্ৰাহ্মণ ৰক্ষা পৰিব আৰু অসমৰ জয় হ'ব।" বৰফুকনৰ আজ্ঞা স্বৰ্গদেৱে সমৰ্থন কৰিলে। সেই বাৰ্তা উজনিলৈ অনাৰ নিমিত্তে কটকীক ভৰ্ৎসিলে।

লাচিত বৰফুকনে এদিন সপোনত এজনী স্ত্ৰীক দেখিলে, দীৰ্ঘকায় গৌড়বৰ্ণ, ওপৰৰ ওঠে আকাশ চুইছিল, তলৰ ওঠে পাতাল চুইছিল, জিভাখনে মোগলৰ ফালে টোৱাইছে, অসমীয়া সৈন্য, সেনাপতি স্ত্ৰী গৰাকীৰ পিচফালে থিয় দি আছিল। চূড়ামণি আৰু সৰোবৰ নামে দুজন হিন্দু জ্যোতিষীক সপোনৰ গূঢ় অৰ্থ সুধিলে। তেওঁলোক দুয়ো কলে যে সপোনৰ সঙ্কেত হৈছে মোগলৰ পৰাজয় আৰু স্বৰ্গদেৱৰ জয়। সপোনৰ বতৰা শুনি অসমীয়া সৈন্যৰ মাজত তেওঁলোকৰ দিগ্বিজয়ৰ সুনিশ্চিত ধাৰণাৰ সৃষ্টি হ'ল।

লাচিত বৰফুকনৰ যুদ্ধ-প্ৰণালী অন্ধবিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত হোৱা নাছিল আৰু অতি মাত্ৰা আত্মবিশ্বাসত নিৰ্ভৰ কৰি তেওঁ হাতসাৱটি বহি থকা বিধৰ মানুহো নাছিল। তেওঁ শত্ৰুসেনাৰ প্ৰকৃত বলাবল বুজিবলৈ চেষ্টা কৰিছিল। তেওঁ শুনিলে যে অসংখ্য মোগল সৈন্য গুৱাহাটীৰ ফালে আগবাঢ়ি আহিছে। এই বাৰ্তা সঁচানে মিছা জানিবৰ নিমিত্তে কেইজনমান মানুহ লগত লৈ তেওঁ দুৰ্গৰ মূৰত উঠি শত্ৰু সৈন্য চালে। বৰফুকনৰ চকুলো বাগৰিবলৈ ধৰিলে। বৰফুকনে মনত গুনিবলৈ ধৰিলে, "মই ফুকনৰ দিনত এনে দশা হ'ল! মোৰ ৰজা ৰক্ষা হব কেনেকৈ? ৰাজ্য ৰক্ষা হব কেনেকৈ? পিচলৈ বা ৰক্ষা হব কেনেকৈ?" ফুকনৰ দুশ্চিন্তা খন্তেকপৰ পিচতেই

নাইকিয়া হ'ল। তেওঁৰ মনত হতাশাৰ ভাব অন্তৰ্হিত হোৱাত তেওঁ আগৰ দৰে সুস্থিৰ হ'ল আৰু মাতৃভূমি ৰক্ষা কৰাৰ কামত দুগুণ উৎসাহেৰে মন দিবলৈ ধৰিলে।

## ৰামসিংহই গুৱাহাটী খোজে

শত্ৰু-সৈন্যৰ সংখ্যা সৰহ বুলি জানি লাচিত বৰফুকনে স্থিৰ কৰিলে যে সন্মুখ যুদ্ধ দুদিনমান হোহোঁকাব পাৰিলে হাতত সময় পোৱা যাব, আৰু তেওঁৰ আয়োজন সম্পূৰ্ণ কৰিব পাৰিব। ব্ৰহ্মপুত্ৰৰ বালিত আৰু গোটাচেৰেক বালিগড় সজাৰ কাম এতিয়ালৈকে হৈ উঠা নাই। যি কি নহওঁক, দিনচেৰেকৰ বিলম্ব সকলোফালৰপৰা সুবিধাজনক আছিল। বৰফুকনে কটকী পঠিয়াই ৰামসিংহক কোৱালে বোলে, "ভাই ৰামসিংহ ৰজাত এইখন কৰিগৈ, তেওঁ কি কাৰ্যে আহিছে আমিও জান পাব লাগে। সাম, দান, দণ্ড, ভেদ এই চাৰিটা কথা আৰু শাস্ত্ৰ-মৰ্যাদা সৰ্বকালে প্ৰবৰ্তা হৈছে। এতেকে প্ৰস্তুত কাৰ্য বুজিলেহে জ্ঞাতা বুলি, এইৰূপে কৰি"। গুৱাহাটীৰ ফৌজাদাৰ ফিৰোজ-খাঁক অসমে বন্দী কৰি থৈছিল। তেওঁক মোকোলাই বৰফুকনে এইদৰে কবলৈ ৰামসিংহ ৰজাৰ তালৈ পঠিয়ালে। ৰামসিংহই ফিৰোজ-খাঁৰ জৰিয়তে কৈ পঠিয়ালে, বোলে, "আহ্লায়াৰ-খাঁ আৰু মোমাইতামূলী বৰবৰুৱাৰ সহিতে নিবন্ধ অসুবালি, বৰনদী যি সীমা কৰি গৈছে সেই নিবন্ধকে লৈ গুৱাহাটী ছাৰি দিয়ক, তেবে গো-ব্ৰাহ্মণ ৰক্ষা পৰিব। আমি ৰাজা মান্ধাতাৰ নাতি ৰামসিংহ আহিছোঁ। তেওঁ বৰবৰুৱাৰ পুত্ৰ, ডাঙৰ মানুহ, আৰু যদি চৰণজাম নাই মোলৈ কৈ পঠাব, দি পঠাম। ভাই ফুকনে একঘড়ি লেঢ়াই দিয়ক"—।

ইয়াৰ উত্তৰত লাচিত বৰফুকনে কৈ পঠিয়ালে, বোলে, "ফিৰোজ-খাঁ, তই ভাই ৰাজাত কবি, আহ্লায়াৰ-খাঁ বৰবৰুৱাৰ প্ৰীতিৰ কথা যি কৈছে, গুৱাহাটী কামৰূপ তাঞ্ৰিৰ নহয়। পূৰ্বে কোচক খেদি লোৱা গৈছে। দৈবগতিয়ে গোটাচেৰেক দিন আমাৰ পৰা লৈছিল। ইদানীং ঈশ্বৰে দিলত আমি প্ৰাইছোঁ। যেখন ভাই

ৰাজাক দিয়ে তেখন পাব। আৰু একঘড়ি যি লেঢ়াই দিবৰ কথা কৈছে শৰীৰ থাকেমানে যুদ্ধ কৰা যাব। আৰু যুদ্ধৰ সামগ্ৰী দিম বুলি যি কৈছে তাঞ্চি পথশ্ৰমে আহিছে, আপোনাকে নোজোৰে। স্বৰ্গদেৱৰ কোন বস্তু অপ্ৰাপ্য আছে? যদি নাই তাঞ্চি খুজিব, মই দিম"।

ৰামসিংহক বাৰ্তা কৈ ফিৰোজ-খঁা উভতি বৰফুকনৰ বাহৰ পালত তেওঁক পুনৰ বন্দী কৰি থলে। পিচে ৰামসিংহ উজাই আহি গুৱাহাটীৰ উত্তৰ-পশ্চিমে চৈধ্য মাইল আঁতৰত হাজোত থাকিল। তাৰেপৰা এটোপোলা আফুগুটি দি এজন বিশ্বাসী কটকীক পঠিয়াই লাচিত বৰফুকনক কোৱালে, বোলে, "বৰফুকনে গুৱাহাটী এৰি দিয়ক। টোপোলাত থকা পোস্তৰ গুটি যিমান, আমাৰ লগত সিমান সৈন্য আহিছে"। বৰফুকনে কৈ পঠিয়ালে বোলে, "পোস্তৰ গুটি পটাত বতিলে পানী হব। লগতে বালি এচুঙা পঠিয়ালোঁ, আমাৰ সৈন্যৰ এনয় লক্ষণ"।

লাচিত বৰফুকনৰ উত্তৰ অসমৰ দুজন কটকী নিম আৰু ৰামচৰণে নিছিলে। অসমৰ কটকী দুজনাৰ মনত বিস্ময় জন্মাবৰ নিমিত্তে ৰজা ৰামসিংহৰ আদেশমতে তেওঁৰ চ'ৰাত কিছুমান কাঠৰ চৰাই নচুৱাই দেখুৱালে। ৰামচৰণে তাৰে এটা চৰাই খুজিলে। ৰামসিংহই এটাৰ ঠাইত দুটা চৰাই দিলে। শত্ৰুৰ ঠাইত খোজনীয়া হোৱাৰ নিমিত্তে বৰফুকনে ৰামচৰণক লোৱা লগাই থলে। পৰদেশৰ চ'ৰালৈ এনে লুভীয়া মানুহৰ সঙ্গী হৈ যাবলগীয়া হোৱাত নিম কটকীয়ে অনুতাপ কৰিবলৈ ধৰিলে।

ইতিমধ্যে ৰামসিংহৰ লগত থকা হাঙ্গালভঙা লস্কৰ নামে এজন বৈৰাগী অসমৰ হাতত পৰিল। হাজোৰ সমীপৱৰ্তী কূলীহাটীৰ ৰাজেন্দ্ৰ চক্ৰৱৰ্তীক চাবৰ মনেৰে তেওঁ গুৱাহাটীৰ ফালে আহি বৰফুকনক আশীৰ্বাদ কৰি পুৰোহিত হিচাপে থাকিল। অসমৰ

আয়োজন দেখি মোগল সেনাপতিসকলৰ অন্তৰত কেনে ভাব উপজিছে তাক কবলৈ লস্কৰক টানি ধৰা হ'ল। ৰামসিংহ আৰু তেওঁৰ তলতীয়া সেনাপতি ৰছিদ-খাঁৰ মাজত হোৱা কথা-বাৰ্তা লস্কৰে উল্লেখ কৰিলে। ৰামসিংহই অসমৰ গড় দেখি ৰছিদ-খাঁক কলে, "পাহাৰৰ ওপৰত গড় কৰিছে, আগত মৈদানো অল্প। ভালেতো অসমক যুদ্ধত নোৱাৰে, চক্ৰাকৃতি বেহু, একো ঠাইলৈ তিনি আলি, মাইৰে নাপায়, তীৰ, কানায়ন, ঘোঁৰাযুদ্ধ নাই, ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য পদাতিক, একে পৰ্বত, তাতে এনে দুৰ্গম বেহু কৰিছে!" লস্কৰৰ মুখে এই কথা শুনি মহামন্ত্ৰী আতন বুঢ়াগোহাঁই ডাঙৰীয়াই সৈন্যলৈ কৈ পঠিয়ালে, "সকলোৱে শুনিবা, আমাৰ গড় দেখি শত্ৰুৰ বল-উৎসাহ হ্ৰাস হৈছে"। ইয়াৰ উত্তৰত সৈন্য-সেনাপতিয়ে কৈ পঠিয়ালে, "বৰফুকনে মাত্ৰ দৃঢ় কৰিব, আমি প্ৰাণ-পৰিশ্ৰমে যুঁজিম"।

১৬৬৯ চনত মাৰ্চ মাহত সম্ৰাট আওৰঙ্গজেৱে নিজৰ জন্ম উপলক্ষে ৰামসিংহক পাঁচহাজাৰী নবাবৰ মৰ্যাদা দিলে। ১৫৯০ শকত ২১ চ'তৰ দিনা ৰামসিংহ আহি লুইতৰ পাৰত আগিয়াঠুৰীত থাকিল। ৰছিদ-খাঁই আহোমৰ থানা শৰাই বা আমিনগাঁৱৰ সন্মুখ হৈ কোঠ দিলে। দুই ফালৰে হিলৈ জাঁই কৰিবলৈ ধৰিলে। ৰামসিংহৰ ভতিজাক কাঁড় লাগি মৰিল। বৰহিলৈৰ গুলী এটা লাগি ৰামসিংহৰ তামিঘৰৰ কাপোৰ ফালি ভিতৰত পৰিল। কাৰো জয় নোহোৱাকৈ সেইদিনা যুদ্ধৰ সামৰণি পৰিল। যুদ্ধৰ কথা আলচিবলৈ ৰামসিংহই ৰছিদ-খাঁক নিজৰ শিবিৰলৈ মাতি পঠিয়ালে। সেই কালত ৰছিদ-খাঁ নাচ-গান আদি আমোদ-উৎসৱত মছগুল হৈ আছিল। তেওঁ ৰামসিংহৰ আদেশ নামানিলে। তাৰ উপৰি ৰছিদ-খাঁই আহোম-সেনাপতি মিৰি-সন্দিকৈৰ তালৈ প্ৰীতিপূৰ্বক পত্ৰ লিখি পঠিয়ালে। ৰামসিংহই ৰছিদ-খাঁৰ ধৃষ্টতা সহিব নোৱাৰি ৰছিদ-খাঁৰ তামিঘৰৰ ৰছী কাটি পেলালে। ৰছিদ-খাঁ গাঁৱৰ ভিতৰ সোমাই দলিবাৰীত

বাহৰ কৰি ৰ'ল। ৰামসিংহ আৰু ৰছিদ-খাঁৰ মাজত আগৰেপৰা কন্দল চলি আছিল। ৰামসিংহই পঞ্চশব্দ নহবত বজায়, ৰছিদ-খাঁয়ো সেইদৰে বজায়। ৰামসিংহই আপত্তি কৰি বোলে, "সি মোৰ তলতীয়া সেনাপতি, দুয়োৰে মৰ্যাদাৰ তাৰতম্য ৰক্ষা কৰা উচিত"। ইয়াতে ৰছিদ-খাঁই কলে, "আমাক দুয়োকে পাদশ্যাই অসমৰ বিৰুদ্ধে ৰণ কৰিবলৈ পঠিয়াইছে। আমাৰ দুয়োৰে মাজত নহবত বজোৱাত হীন-ডেঢ়ি হব কিয় ?" ৰামসিংহই ভাবিলে ; ৰছিদ-খাঁই সম্ভৱতঃ আহোমৰ সৈতে মিত্ৰতা কৰিছে। ইয়াৰ পিচত ৰছিদ-খাঁ লগৰ সৈন্য লৈ হাজোলৈ আহিল।

# ৰামসিংহৰ আক্ৰমণৰ গতিৰোধ

ইয়াৰ পিচত ৰামসিংহই মাটিৰ তলেদি সুৰুঙা খান্দি সেই বাটেদি শৰাই কোঠৰ কাষ চাপিলে। আহোমে কোঠৰ খাৰৈ পানীৰে পুৰ কৰি পেলালে। ৰামসিংহই চাং বান্ধি তাৰ ওপৰত হিলৈ থৈ আহোমৰ কোঠৰ পিনে গুলীয়াবলৈ ধৰিলে। ইয়াৰ ফলত কিছু ঠাইত বেৰ ভাঙি পৰিল, কিন্তু তাক ততালিকে আওতোৱা হ'ল। অসমীয়াৰ হিলৈৰ গুলীত তিষ্ঠিব নোৱাৰি ৰামসিংহই সেই ঠাই এৰি আঁতৰি গ'ল।

১৬৬৯ খৃষ্টাব্দত বাৰিষা কেইমাহ যুদ্ধৰ কোনো সাল-সলনি নঘটিল। মোগল সৈন্যই চাৰিওভাগে বিভক্ত হৈ কেওপিনৰপৰা গুৱাহাটীৰ গড় ভাঙিবলৈ মনস্থ কৰিলে। পানীত আছিল মনচুৰ-খাঁ, লতিফ-খাঁ, ৰচিফ-খাঁ, গোটাচেৰেক ফিৰিঙ্গি আৰু কপিদান ৰজা; দক্ষিণে আছিল—আলি-আকবৰ-খাঁ, মিৰ-চৈয়দ-খাঁ, ইন্দ্ৰমণি ৰজা, জয়নাৰায়ণ ৰজা আৰু মাকুল-খাঁ চৰ্দাৰ। উত্তৰে আহোম কোঠৰ সন্মুখীন হৈ আছিল ৰামসিংহ ৰজা নিজে। সিন্দূৰী-ঘোপা দুৱাৰত আছিল জাহিৰ-বেগ, কায়াম-খাঁ, ঘনশ্যাম বক্সি আৰু কোচবেহাৰৰ তিনিজন বৰুৱা, কবিশেখৰ, সৰ্বেশ্বৰ আৰু মনমথ, লগত কাড়ী, বাৰুৱতী পোন্ধৰ হেজাৰ। মোগলে নৈৰ দক্ষিণ পাৰে পাণ্ডুৰ সমীপত ৰাঙলীবুৰুজত গড়ৰ এডোখৰ ঠাই ভাঙিলে। কিন্তু সুচতুৰ ৰাণী-ৰজাই সময়মতে ইয়াৰ বাৰ্তা পাই সেই পালীৰ সেনাপতিক জনালে। ভঙা গড় আওতাবৰ কাৰণে মানুহ আহিলা-পাতি লৈ সাজু হৈ আছিল। অতি সোনকালে ভঙা গড় মেৰামতি হোৱাত মোগল সৈন্যই বিস্ময় মানিলে। গড় ভাঙিব নোৱাৰি মোগলে বৰহিলৈ মাৰি গুলী চলাবলৈ ধৰিলে, কিন্তু ইয়াতো বিশেষ কৃতকাৰ্য নহ'ল। মোগলে সেই চেষ্টা এৰি পাণ্ডুৰ সমীপৰপৰা আঁতৰি গ'ল। ৰাণী-ৰজাই কিছুমান পলৰীয়া মোগল সৈন্যক ধৰি সিহঁতৰ আঙুলি কাটি

বৰফুকনলৈ পঠিয়াই দিলে। বন্দীবোৰক তাৰ পিচত গড়গাঁৱলৈ নিলে। স্বৰ্গদেৱে ৰাণী-ৰজাক যথাযোগ্য পুৰস্কাৰ দিলে।

১৬৬৯ খৃষ্টাব্দৰ জুন মাহত সুজনসিংহ ৰজা আৰু ৰূপনাৰায়ণ ৰজাৰ আদেশত মোগলে আহোম সৈন্যক কালজোৰ পৰ্বতত আক্ৰমণ কৰিলে। আহোমৰ সেনাপতি মিৰিসন্দিকৈ ফুকনে কিছুমান কোঠ সাজি শত্ৰুসৈন্যৰ লগত নদিন ধৰি ৰণ কৰিলে। তাৰপিচত মোগলে দৰঙেদি গুৱাহাটী সোমাবলৈ চেষ্টা কৰিলে। দুহেজাৰ অশ্বাৰোহী, দুশ পদাতিক আৰু দুশ হিলৈদাৰী মোগল সৈন্যই গুৱাহাটীৰ উত্তৰে বৰনদীৰ মুখত থকা বাহবাৰী বা বাহগড়া কোঠৰ সন্মুখে আগবাঢ়ি গ'ল। ইহঁতৰ সেনাপতি আছিল বহলোল-খাঁ, প্ৰাণ-নাৰায়ণ, কবিশেখৰ বৰুৱা আৰু সৰুসিংহ ৰজা। অসমৰ সেনাপতি ৰাণী ৰজাই বৰফুকনক এই বিষয়ে আগৰে পৰা সংবাদ দি থৈছিল। ৰাণী ৰজাই মোগল ফৌজক দুই-পৰ্বতৰ মাজে এটা ঠেক বাটেদি ফুচুলাই আনি আকস্মিকভাৱে আক্ৰমণ কৰিলে, মোগল বিভঙ্গে পলাল। বহু-সংখ্যক মোগল আৰু সিহঁতৰ যুদ্ধৰ আহিলা-পাতিও ভালেখিনি হানি হ'ল। ৰাণী ৰজাৰ যত্নত মোগলৰ দৰঙেদি গুৱাহাটী সোমোৱা চেষ্টা বিফল হল। এইদৰে যুদ্ধত কৃতকাৰ্য হৈ দিহিঙ্গীয়া ফুকনৰ আজ্ঞামতে আগিয়াঠুৰীৰ ওচৰত চেঁচা নদীৰ কাষৰত আহোম সৈন্যই মোগলক আক্ৰমণ কৰিলে। এই ৰণত পোনতে আহোমৰ জয় হ'ল। ভালেমান মোগল বন্দী হল আৰু অসমে আহিলা-পাতিও বিস্তৰ পালে। ৰামসিংহ ৰজাই নিজে যুদ্ধ পৰিচালনা কৰিবলৈ ধৰিলে, আহোমৰ মাটি-সৈন্যৰ পৰাজয় ঘটিল। উপায় নেপাই আহোম সৈন্য পানীত জাপ দি পৰিল। তাতো মোগলে সিহঁতক খেদি খেদি কাটিলে। অসমৰ কেবাখনো যুদ্ধৰ নাও মোগলে ধৰি নিলে। আহোম সেনাপতিসকল নিজ নিজ কোঠলৈ উভতি আহিল। স্বৰ্গদেৱে যুদ্ধত হৰাৰ কথা শুনি বৰ দুখ কৰিলে আৰু বৰফুকন আৰু বৰগোহাঁইলৈ কৈ পঠিয়ালে, বোলে, "যেনেকৈ

হওঁক শত্ৰুক খেদি যাব লাগে আৰু ধৰি নিয়া নাও কেনেকৈ উদ্ধাৰ কৰিব লাগে।”

ইতিমধ্যে বাৰিষা কাল হোৱাত ধাৰাসাৰে বৰষুণ হবলৈ ধৰিলে, ইয়াৰপৰা আহোমৰ অতি সুবিধা হল, কিন্তু বঙালৰ অৱস্থা ঠিক তাৰ ওলোটাটো হ'ল। বানপানীৰ প্ৰকোপত মোগলৰ থানাবোৰ আঁতৰা আঁতৰি হৈ পৰিল, মাজত পানী। ইয়াৰ পূৰ্বে গড়গাওঁৰ ওচৰত থাকোঁতে মীৰজুমলা নবাবৰো একে দশা হৈছিল, “এনে দুৰ্যোগ দিল্লীৰ ইতিহাসত কেতিয়াও ঘটা নাছিল। বাৰহেজাৰ অশ্বাৰোহী আৰু অসংখ্য পদাতিক সৈন্যই ছমাহ ধৰি অবৰুদ্ধ হৈ আছিল, বৰষুণৰ কাৰণে ওলাই যুদ্ধ কৰিব নোৱাৰে আৰু চাৰিওফালে থকা শত্ৰুৱেও সিহঁতক কাচিৎহে আক্ৰমণ কৰে”। ৰামসিংহৰ আক্ৰমণৰ বেলিকা, আহোমৰ পক্ষে বাৰিষাৰ পূৰ্ববৰ্তী যুদ্ধ-প্ৰণালী আত্মৰক্ষাৰ ভেটিত সংগঠিত হৈছিল। আহোমে নিজে আগবাঢ়ি গৈ মোগলক আক্ৰমণ নকৰিছিল। লাচিত বৰফুকনে বঙালৰ আহিলা-পাতি অন্ত পৰাৰ কাৰণে, আৰু ব্যাধি-মৰকত বঙালৰ সৈন্যৰ সংখ্যা হ্ৰাস হোৱাৰ কাৰণে বাট চাই আছিল। হাতত সময় পালে ফুকনে যুদ্ধৰ আয়োজনো যথাযথভাৱে সম্পূৰ্ণ কৰিব পাৰিম বুলি আশা কৰিছিল। সেইদেখি সীমাবদ্ধ হিচাপে অবৰোধৰ চেষ্টা কৰিছিল আৰু দেশৰ অন্যান্য ঠাইৰ লগত চলাচলৰ সুবিধা ৰক্ষা কৰি আছিল।

১৬৬৯ আৰু ১৬৭০, এই দুই বছৰ চেগা-চোৰোকাভাৱে যুদ্ধ আৰু শান্তিৰ প্ৰস্তাব একেলগে চলি আছিল। এবাৰ বঙাল উত্তৰে থকা ৰঙমহলৰ কোঠৰ পিনে আগবাঢ়ি গ'ল, এই কোঠৰ সেনাপতি আছিল পানী দিহিঙ্গীয়া ৰাজখোৱা বুঢ়াগোহাঁই ফুকন, এওঁক সাধাৰণতে গোহাঁই-ফুকন বুলি কোৱা হৈছিল। মোগল সৈন্যই ধোঁৱাৰ ঠেঙত দীঘল চেপেটা ঢাল বা ঠাঠাৰা বান্ধি তাৰ আঁৰত থাকি হতাহতি যুদ্ধ কৰিবৰ সময়ত তাৰপৰা ওলাই আগবাঢ়ি গৈছিল। এই যুদ্ধৰ

প্ৰথম অৱস্থাত আহোম সৈন্য সিমান কৃতকাৰ্য নহ'ল। ধোঁৱা সন্দিকৈৰ পুতেক আৰু অনন্তৰায় এই যুদ্ধত পৰিল।

ইয়াৰ পিচত গোহাঁই-ফুকনে নতুন প্ৰণালীৰে সৈন্য সজাবলৈ ধৰিলে। প্ৰতি বাহিনীৰ সন্মুখৰ চাৰিশাৰী হাতীৰে সজোৱা হৈছিল, প্ৰত্যেকৰ গাত আঁৰ থকা টঙি, ওপৰত বাৰুৰতী, হিলৈদাৰী আৰু কাঁড়ী। ফৌজৰ ভিতৰত ক'লা সাজ পিন্ধা সাধাৰণ সৈন্য। এই ন-কৈ সজোৱা সৈন্যৰ মহলা দুৰ্ভেদ্য বেহুৰ নিচিনা হল আৰু মোগলৰ আক্ৰমণ ব্যৰ্থ কৰিব পাৰিলে। ৰামসিংহই দূৰৈৰ নিৰাপদ ঠাই এডোখৰৰপৰা এই যুদ্ধ চাই আছিল, ৰামসিংহই গোহাঁই-ফুকন সেনাপতিক চাবলৈ অসমীয়া কটকী ভকতদাহক ইচ্ছা জনালে। গোহাঁই-ফুকনে ইয়াৰ উত্তৰত কৈ পঠিয়ালে, বোলে, "মোৰ সলনি মোৰ একুৰি হেজাৰ যুঁজাৰু পঠিয়াম, সিহঁতে ৰজা ৰামসিংহৰ সৈন্যক পিহি পানী কৰিব।"

ইয়াৰ লগে লগে অসমীয়াই নেৰানেপেৰাকৈ দগা-যুদ্ধৰে বঙালক আক্ৰমণ কৰিবলৈ ধৰিলে। শত্ৰু সৈন্য অসাৱধান অৱস্থাত থাকিলে অসমীয়াই কোঠৰপৰা আগবাঢ়ি বঙালৰ ওপৰত পৰে, পাৰিলে আক্ৰমণ কৰে, নোৱাৰিলে আকৌ নিজ নিজ কোঠলৈ উভতি আহে। এনে ধৰণৰ আক্ৰমণক ৰামসিংহই "চোৰৰ বৃত্তি" বুলি আখ্যা দিছিল।

১৬৬৯ চনৰ আগষ্ট আৰু ছেপ্টেম্বৰ মাহত নাৱৰ যুদ্ধ হ'ল। মোগলে যুদ্ধৰ নাৱত উঠি অসমৰ পানী-গড়ৰ ফালে আগবাঢ়িবলৈ ধৰিলে, প্ৰতিখন নাৱতে ষোলটাকৈ বৰ হিলৈ। নাৱৰীয়া সৈন্য লগত লৈ বৰফুকনে নিজে বঙালক আক্ৰমণ কৰিলে। বঙালৰ বহুত মানুহ বলত পৰিল। আন এদিন অসমৰ সুচতুৰ দৈৱজ্ঞ সমুদ্ৰ চূড়ামণি দলৈ আৰু সৰোবৰ দলৈ আহোম সৈন্যৰ লগত যুদ্ধৰ নাৱত উঠি ব্ৰহ্মপুত্ৰ পাৰ হৈছিল। এনেতে নৈৰ মাজতে তেওঁলোকৰ নাওখন বঙালে আক্ৰমণ কৰিলে। এটা আহত সৈন্যৰ গাৰপৰা এচেকুৰা তেজ ওলাই সৰোবৰৰ গাত পৰিল, তাতে তেওঁ মূৰ্চ্ছা গ'ল। নাৱত মৰা সৈন্যৰপৰা একুৰিখন বাৰু আনি তাৰে আঁৰ কৰি চূড়ামণিয়ে

... COLLEGE

নিজকে ৰক্ষা কৰিলে। নাৱত থকা সৈন্যবোৰৰ পয়মাল চূড়ামণিয়ে নিজ চকুৰে সেইদিনা দেখা পাইছিল। যুদ্ধৰ নাৱত উঠাৰ নিমিত্তে বৰফুকনে দৈৱজ্ঞক বিকৰ্থনা কৰি কলে,—"জ্যোতিষীয়া দৈৱজ্ঞক কোনে যুদ্ধৰ নাৱত উঠিব দিলে মই কব নোৱাৰোঁ। ইহঁত মৰিলে আমাৰ সহায় গুচিল, কাৰণ সিহঁতৰ গণনাই আমাক বিশেষভাৱে উৎসাহ দিয়ে"। ইয়াৰ উত্তৰত সমুদ্ৰ চূড়ামণি দলৈয়ে কলে, "মহাভাৰতৰ যুদ্ধৰ সময়ত ৰণথলিৰ সকলো ঠাইতে মানুহ মৰিছিল, ক'ত কোন মৰিছে তাৰ একো সন্তেদ পোৱা নগৈছিল"।

সেই যুদ্ধৰ দিনা কোৱামৃদ্ধা নামে এজন আহোম সেনাপতিক বঙালে নাৱে সৈতে ধৰি লৈ গ'ল। আনন্দত মতলীয়া হৈ মোগল সৈন্যই অলপ বং চাবলৈ মন কৰিলে আৰু সিহঁতক আনন্দ দিবৰ নিমিত্তে কোৱামৃদ্ধাক নাচিবলৈ কলে। কোৱামৃদ্ধা এই প্ৰস্তাৱত মান্তি হৈ নচাৰ চেৱে-চেৱে হাত চাপৰিয়াবলৈ মোগল সৈন্যক অনুৰোধ কৰিলে আৰু লগে লগে তেওঁৰ নাওবৈচাহঁতক চকুৰে ইঙ্গিত দিলে। বন্দী কোৱামৃদ্ধাই লয়লাসে নাচিবলৈ ধৰিলে, মোগল সৈন্যই হাত চাপৰি বাই সঙ্গীতৰ তাল যোগালে, লগে লগে নাওবৈচাই চেৱে-চেৱে বৈঠা মাৰিবলৈ ধৰিলে। নৃত্য আৰু সঙ্গীতৰ সুৰত সকলো মছগুল হল। এনে ছেগতে কোৱামৃদ্ধাৰ নাৱৰীয়াহঁতে পাৰত থকা অসমীয়াৰ পিনে নাও মাৰিবলৈ ধৰিলে, অলপ সময়ৰ ভিতৰতে বঙালৰ নাৱৰ মাজৰপৰা কোৱামৃদ্ধাৰ নাও আঁতৰি গ'ল। মোগল সৈন্যই চিঞৰিবলৈ ধৰিলে, "কোৱা পলাল!" ৰামসিংহই এই ঘটনা শুনি মাথোন কলে, "অসমীয়া চৰ্দাৰজন কেনে শিয়ান"।

১৬৬৯ খৃষ্টাব্দৰ ছেপ্টেম্বৰ মাহত আহোমে আগতকৈও চৰাকৈ দগা-যুদ্ধ কৰিবলৈ ধৰিলে। আহোম সৈন্যই মাজনিশা কোঠৰপৰা ওলাই বঙালক আক্ৰমণ কৰিছিল। সিহঁতে এইদৰে ক্ৰমান্বয়ে বঙালক নিৰ্যাতন কৰিবলৈ ধৰিলে, আৰু শত্ৰুৰ অনেক মানুহ হানি কৰিলে। এনে ধৰণৰ চোৰৰ বৃত্তিৰপৰা ক্ষান্ত থাকিবলৈ ৰামসিংহই লাচিত

বৰফুকনলৈ পত্ৰ দিলে, বোলে, "ভাই নবাব, বৰফুকনৰ বলবীৰ্যৰ প্ৰমাণ মই এতিয়াহে পালোঁ। আমাৰ লগত বলে নোৱাৰি তেওঁ চোৰৰ বুদ্ধিৰে যুদ্ধ কৰিছে, শিয়ালে যেনেকৈ বনৰ হাতী মাৰিবলৈ বিচাৰে। এনে কাপুৰুষৰ লগত যুদ্ধ কৰিলে কোনো সন্মান নাই। চোৰ আৰু দস্যুৰ ফালে পিঠি দি আঁতৰি যোৱাটো লাজৰ কথা নহয়। সেই দেখি মই আৰু যুদ্ধ নকৰোঁ"। সেইমতে ১৬৬৯ চনৰ অক্টোবৰৰ-পৰা ১৬৭০ চনৰ মাৰ্চলৈকে ৰামসিংহই যুদ্ধ নকৰি এনেয়ে আছিল।

নৈশ যুদ্ধৰ অৱতাৰণা কৰি আহোমে ৰণৰ মৰ্যাদা বিকৃত কৰিছে বুলি ৰামসিংহই কৰা অভিযোগৰ উত্তৰত বৰফুকনৰ আৰু তেওঁৰ সেনাপতিসকলে ৰাণী কটকী আৰু কলীয়া কটকীৰ যোগে এই বুলি উত্তৰ দি পঠিয়ালে, বোলে, "আমি পৰীক্ষা চাব খুজিছিলোঁ। মাটিয়েদি যুদ্ধ কৰিবলৈ ৰামসিংহৰ সাহ-পিত আছে নে নাই। এইটো মনত থাকিব লাগিব যে সিংহই মাথোঁ ৰাতি যুদ্ধ কৰে, আনবিলাকে মাটিয়ে পানীয়ে দিনত যুদ্ধ কৰে"। ৰামসিংহই বাৰম্বাৰ কবলৈ ধৰিলে যে ৰাতিৰ যুদ্ধ শাস্ত্ৰ-সন্মত নহয়। ইয়াৰ উত্তৰত অসমৰ দুজনা ব্ৰাহ্মণ কটকীয়ে কলে, "আহোমে ৰাতি যুদ্ধ নকৰি নোৱাৰে, কাৰণ তেওঁ-লোকৰ সৈন্যৰ মাজত এক লক্ষ ৰাক্ষস আহিছে, ইহঁতে মানুহ খায় আৰু নিশা চৰি ফুৰে"। ৰামসিংহই এই কথা পোনতে বিশ্বাস কৰা নাছিল, কিন্তু কটকী দুজনাই বাৰেপতি কলে যে ব্ৰাহ্মণৰ মুখে সত্যৰ বাহিৰে আন কথা নোলায়। ৰামসিংহই কলে, "অসমীয়া সৈন্যই ৰাতিৰ ভাগত যে এনে পৰাক্ৰম দেখুৱায় তাৰ কাৰণ মই এতিয়াহে বুজিলোঁ। অ, সিহঁতৰ লগত মানুহ খোৱা ৰাক্ষস আহিছে! কিন্তু মোক প্ৰমাণ লাগে, তেহে মই ব্ৰাহ্মণৰ কথা পতিয়াব পাৰোঁ"। কটকীয়ে সকলো বৃত্তান্ত বৰফুকনত জনালে। এইদৰে বঙালৰ মনত ভয় জন্মাই ওফাইদাং মাৰি কথা কোৱাৰ বাবে ফুকনে কটকীক শলাগিলে, আৰু ৰাক্ষস থকা প্ৰমাণ দিম বুলি গাত ললে। আহোম ৰণুৱাক গায়ে পতি ক'লা সাজ পিন্ধোৱা হ'ল, এহাতে মানুহৰ ঠেং,

আৰু আনহাতে মাছ, ৰাতি এই ৰণুৱাই মোগল বাহৰৰ পিনে ঠেং দাঙি নাচি ফুৰিবলৈ ধৰিলে। ৰামসিংহই নিজ চকুৰে ৰাক্ষসৰ সৈন্য দেখি ব্ৰাহ্মণৰ কথাত পতিয়ন গ'ল।

ৰামসিংহই আহোমৰ বল-শক্তিৰ বিষয়ে অসমীয়া কটকী ভকত-দাহ আৰু ধূলিক সুধিলে, বোলে, "মোৰ নিচিনা ক্ষত্ৰিয় এজনে এই যুদ্ধত একো কৰিব পৰা নাই কিয়? আহোমৰ ৰণ-কৌশল কেনেকুৱা ধৰণৰ? তেওঁলোকক পৰাভৱ কৰিব পৰা নেযায় কিয়? সেনাপতি কোন কোন? আৰু তেওঁলোকৰ নাম বা কি?"

ইয়াৰ উত্তৰত অসমীয়া কটকীয়ে কলে, "হে মহাৰাজ, আমি কওঁ শুনা, মহামন্ত্ৰী ৰুক্ম আতন বুঢ়াগোহাঁয়ে নিজে যুদ্ধক্ষেত্ৰত নামিছিল। আন মুখ্য সেনাপতিসকলৰ নাম কওঁ শুনা: ফুলবৰুৱাৰ পুতেক চম্পা পানীফুকন, লালুকী নাম-দৈয়ঙ্গীয়া ফুকন, পেলন চাৰিঙ্গীয়া ফুকন, ডেকাফুকন, গোহাঁই-ফুকন, বৰপাত্ৰ গোহাঁই, বৰ গোহাঁই শদিয়াখোৱা ৰূপ-সন্দিকৈ, আৰু মিৰি-সন্দিকৈ। তলৰ সেনাপতি-সকল হৈছে: শেন গোহাঁই, মৰাণ গোহাঁই, ৰঙাচিলাৰ পুতেক লেচাই। লুথুৰি দৈয়ঙ্গীয়া ৰাজখোৱা, নামদৈয়ঙ্গীয়া ৰাজখোৱা, পানী-দিহিঙ্গীয়া ৰাজখোৱা, তৰুৱা-দিহিঙ্গীয়া ৰাজখোৱা, মাজু-অভয়পুৰীয়া ৰাজখোৱা, সৰু-অভয়পুৰীয়া ৰাজখোৱা, নামদঙ্গীয়া ৰাজখোৱা, গজপুৰীয়া ৰাজখোৱা, দিখৌমুখীয়া ৰাজখোৱা, তৰ-শলগুৰীয়া ৰাজখোৱা, লাঠুম নেওগ, আৰু চাওদাং বৰুৱা, এওঁলোক হ'ল মজলীয়া মৰ্যাদাৰ নবাব। ইয়াৰ বাহিৰেও সকলো খাপৰ নবাবসকল আছিছে। মহাৰাজ, তুমিহে নালাগে পাদশ্যাহে স্বয়ং আহিলেও এওঁলোকক যুদ্ধত জিনা টান"। ৰামসিংহই সুধিলে, বোলে, "আগৰ কেবাৰ যুদ্ধত এইবোৰ নবাব ক'ত আছিল"। কটকীয়ে কলে, "মহাৰাজ, তেওঁলোক এমাহৰ বাটত নামৰূপ নামে ঠাইত থাকে, আগৰ কেবাৰ তেওঁলোকে যুদ্ধ হোৱাৰ

বাতৰিকে নাপালে। এইবাৰ এওঁলোকে যুদ্ধৰ বাৰ্তা পাই ৰণ কৰিবলৈ আহিছে।"

অসমীয়া সেনাপতিসকলৰ বিষয়ে অকল এক পক্ষৰপৰা শুনি ৰামসিংহ সন্তুষ্ট হোৱা নাছিল। তেওঁ নিজৰ উকীল পণ্ডিত ৰায়ক সুধিলে, "অসমৰ পাত্ৰ-মন্ত্ৰীসকলৰ কাৰ কেনে আসয় তাক কি দেখিলি"? পণ্ডিত ৰায়ে ক'লে, "বৰপাত্ৰ গোহাঁই, বৰগোহাঁই, বৰফুকন, বৰগোহাঁই ফুকন, এওঁলোক ৰূপে-গুণে, তেজে-বয়সে, বলে-বুদ্ধিয়ে সকলো ৰূপে সমৰ্থ। আৰু বুঢ়াগোহাঁই বয়সতো অল্প, গৌড়, সুন্দৰ, ধীৰ গহন আসয়, সকলো কাৰ্যত চতুৰ, মন্ত্ৰণাত সকলো চলে"। এইৰূপে শুনি ৰামসিংহে বোলে, "ইমান বয়সতে ইমান বুদ্ধি"! পণ্ডিত ৰায়ে বোলে, "বৰে চক্ৰী"। ৰামসিংহই ইয়াৰ উত্তৰত কলে, "আৰু বয়সত এওঁৰ লগত কোনে তৰ্কিব পাৰিব? ভাল মন্ত্ৰী, সাৰ্থক মন্ত্ৰী জন্মিলে।"

অসমীয়া কটকীয়ে ৰামসিংহক আৰু জনালে যে অসমীয়া সেনাপতি-সকলৰ লগত চূড়ামণি নামে এজন দৈৱজ্ঞ আহিছে, তেওঁৰ জ্যোতিষীয়া গণনা ইমান নিৰ্ভুল যে তেওঁৰ উপদেশমতে যুদ্ধযাত্ৰা কৰিলে যুদ্ধত জয়লাভ একেবাৰে সুনিশ্চিত। কটকীয়ে আৰু জনালে যে এনে সৰ্বজয়ী বীৰসকলৰ সন্মুখত ৰামসিংহৰ পৰাজয় ধৰা-বন্ধা কথা। ভকতদাহ কটকীয়ে ৰামসিংহক কলে যে চূড়ামণিয়ে মাহে এহেজাৰ দৰমহা পায়। ৰাজপুত ৰজাই চূড়ামণিক মাহে চাৰি হেজাৰ টকা দৰমহা দিবলৈ অঙ্গীকাৰ কৰিলে আৰু চূড়ামণিক আনি ৰামসিংহ ৰজাত সমৰ্পণ কৰিব পাৰিলে ভকতদাহ কটকীক চাৰি হেজাৰ টকা পুৰস্কাৰ দিবলৈ গাত ললে। ভকতদাহে এই প্ৰস্তাৱৰ কথা চূড়ামণিক কোৱাত দৈৱজ্ঞই মাত লগালে, বোলে, "মাজে-মাজে তালৈ গৈ ৰং চাবলৈ মন যায়। কিন্তু মোৰ কাৰণে ইমানবিলাক মোগল সৈন্য ক্ষয় হৈছে যে সিহঁতে মোক জীয়াই-জীয়াই বন্দী কৰিলেও মই আচৰিত নহওঁ আৰু বিশেষকৈ, শত্ৰুৰ লগত মিতিৰালি কৰাৰ কাৰণে

মোৰ ওপৰত বৰফুকনৰো খং উঠিব পাৰে”। চূড়ামণিয়ে বৰফুকনক সকলো কথা বিবৰি কলে। ফুকনে এইদৰে ধন ঘটাৰ কৌশলক বৰকৈ নিন্দা কৰিলে। তাৰ পিচত ভকতদাহ কটকীয়ে চূড়ামণিক গোপনে ৰামসিংহৰ তালৈ নিবলৈ চেষ্টা কৰিছিল। এই কথা শুনি বৰফুকনে ভকতদাহক পানীত পেলাই মাৰিবলৈ মন কৰিলে, ভকত-দাহে বাহৰ এৰি পলাই সাৰিল।

মহামন্ত্ৰী আতন বুঢ়াগোহাঁই ডাঙৰীয়াই লথিয়া পৰ্বতৰ কোঠত থাকি উত্তৰ-বাহিনী সৈন্য পৰিচালনা কৰিছিল। তেওঁ লাই, লেচাই, চিলি, মাৰি, মাৰি, আচোৰ, বাদুলী আৰু অন্যান্য চোৰাংচোৱা লগাই মোগলক নগুৰ শাস্তি কৰিবলৈ ধৰিলে। সিহঁতে ৰাতি মনে মনে মোগলৰ বাহৰত সোমাই তাৰপৰা ধন-সোণ আঁতৰাবলৈ ধৰিলে। মোগল সেনাপতিসকলে সন্ধিয়া পৰতে আহাৰ খায় আৰু ভাং ধুতুৰা পান কৰি শুবলৈ যায়, আৰু বিচনাত পৰি দীঘল নলীৰে গুৰগুৰি হোকা হুপিবলৈ ধৰে। তেওঁলোকৰ টোপনি আহিলে খিতমতগাৰে মুখৰপৰা নলী আঁতৰাই হোকাত মেৰিয়াই থৈ নিজেও শুবলৈ যায়। হোকাৰ মাত গুণ্ডনা হলেই খাপ লৈ থকা অসমীয়া চোৰাংচোৱাই তামিঘৰৰ ভিতৰত সোমাই টকাৰ মোনা লৈ যায়। সিহঁতে নবাবে ব্যৱহাৰ কৰা হোকাও চুৰ কৰে। এইদৰে ঘোঁৰাত উঠি চুৰ কৰা মোনা আদি লৈ যাওঁতে মোগলে দেখা পায়। কিন্তু চোৰাংচোৱাই বৰ বেগেৰে নিজৰ বাহৰলৈ ঘোঁৰাত উঠি চেকুৰ মেলি মোগলৰ খেদাৰপৰা ৰক্ষা পৰে।

অসমীয়া সেনাপতিসকলে লাহে লাহে বুজি পালে যে তেওঁলোকৰ দগা-যুদ্ধৰপৰা মোগলৰ হাৰাশাস্তিহে হৈছে, কিন্তু তাৰপৰা বিশেষ একো লাভ হোৱা নাই। তেওঁলোকে পৰাপক্ষে মাটিৰে ৰণ নকৰিছিল, আৰু অশ্বাৰোহী সৈন্যৰ সম্মুখীন হবলৈ কুণ্ঠিত হৈছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে মোগলৰ সুসজ্জিত আচোৱাৰী সৈন্য এটাই এশ অসমীয়া ৰণুৱাক পৰাস্ত কৰিব পাৰে। যুদ্ধৰ পৰিস্থিতিৰ বিষয়ে

অসমীয়া সেনাপতিসকলে গোপনে সিদ্ধান্ত কৰিলে যে পানী যুদ্ধই তেওঁলোকৰ একমাত্ৰ অৱলম্বন আৰু সেইমতে মোগলক ব্ৰহ্মপুত্ৰৰ পানীলৈ ফুচুলাই আনিব লাগিব আৰু মাটিযুদ্ধ বিশেষকৈ বৰ্জন কৰিব লাগিব।

## আলাবৈত আহোমৰ বিপৰ্যয়

লাচিতৰ পূৰ্বে নামনি অসমৰ বৰফুকন আছিল ঘোঁৰাকোঁৱৰ, তেওঁ গড়গাঁৱত থকা স্বৰ্গদেৱৰ আৰু গুৱাহাটীৰ সেনাপতিসকলৰ বাৰ্তাবিদ অনা-নিয়া কৰিছিল। ৰংমহল কোঠৰ সেনাপতি পেলন ফুকনে ঘোঁৰাকোঁৱৰক মনে মনে জনালে যে বৰফুকনে অকাৰণত চূড়ান্তভাৱে যুদ্ধ কৰাত পলম কৰিছে, ইপিনে বৰষুণ-বাৰিষাৰ কাৰণে আক্ৰমণৰ সুবিধা। ঘোঁৰাকোঁৱৰে এইকথা স্বৰ্গদেৱক জনালে, স্বৰ্গদেৱে ততালিকে বিশ্বাস কৰিলে যে হয়তো গুৱাহটীয়া সেনাপতি-সকলে অলপ গা-এৰা দিছে।

গুৱাহাটীৰ সেনাপতিসকলৰ ওপৰত স্বৰ্গদেৱৰ বিশ্বাস হানি হোৱাৰ কাৰণ আছিল ৰামসিংহৰ কূটনৈতিক কৌশল। কটকী চলাচল আৰু যুদ্ধ কৰি গুৱাহাটী লবলৈ অসমৰ্থ হোৱাত আহোম সেনাপতিসকলৰ মাজত তেওঁ ভেদ-ভাৱ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল, যাতে তেওঁলোকে একমত হৈ কোনো কাম কৰিব নোৱাৰে। ৰামসিংহই কাঁড়ৰ আগত চিঠি এখন বান্ধি তাক মিৰি-সন্দিকৈ ফুকনৰ বাহৰলৈ মাৰি পঠিয়ালে। চিঠিখন বৰফুকনলৈ উদ্দেশ্য কৰি লিখা হৈছিল আৰু তাৰ মৰ্ম আছিল, "অ, বৰফুকন, কালি তুমি আমাৰপৰা একলাখ টকা বক্‌চিচ লৈ আমাৰ বিৰুদ্ধে আৰু যুদ্ধ নকৰোঁ বুলি প্ৰতিজ্ঞা কৰিছিলা। তুমি কি কাৰণে এতিয়াও ৰণৰ ভাও এৰা নাই"। মিৰি-সন্দিকৈ ফুকনে চিঠিখন স্বৰ্গদেৱলৈ পঠিয়াই দিলে। যুদ্ধজয়ৰ বাৰ্তা শুনিবৰ কাৰণে স্বৰ্গদেৱ উৎকণ্ঠিত হৈ পৰিছিল। সেইদেখি পত্ৰৰ কথা তেওঁ বিশ্বাস কৰিলে। কিছুদিনৰ কাৰণে বৰফুকনক সন্দেহৰ ডাৱৰে আৱৰি থৈছিল, কিন্তু আতন বুঢ়াগোহাঁইৰ বুজনিত সেই সন্দেহ দূৰীভূত হ'ল। বুঢ়াগোহাঁয়ে এই পত্ৰত শত্ৰুৰ হাত আছে বুলি বুজালে, আৰু বৰফুকন যে কৰ্তব্যৰ পথৰপৰা এফেৰিও বিচলিত হোৱা নাই বুঢ়াগোহাঁই ডাঙৰীয়াই তাকো বুজালে।

ইতিমধ্যে দুয়ো সৈন্যৰ মাজত ৰামসিংহই স্বৰ্গদেৱৰ লগত দন্দ-যুদ্ধ কৰিবৰ অভিপ্ৰায়ে স্বৰ্গদেৱলৈ নিমন্ত্ৰণ জনাই সোনবৰ নদীয়ালৰ হাতত বৰফুকনলৈ এখন পত্ৰ দিলে। ৰামসিংহৰ এই পত্ৰত নিজকে মীৰ্জা ৰাজা জয়সিংহৰ পুতেক আৰু ৰাজা মান্ধাতাৰ সন্ততি বুলি পৰিচয় দিছিল। কিন্তু আহোম স্বৰ্গদেৱে ৰজাৰ দাম্ভিক প্ৰস্তাৱৰ উত্তৰত এইবুলি সমিধান দিলে, "ৰামসিংহ এজন ভৃত্য মাথোন, তেওঁৰ মূৰত ছত্ৰ নাই, এনে শুদা মানুহৰে সৈতে দন্দযুদ্ধ কৰিবলৈ মোৰ ইচ্ছা নাই"।

চক্ৰধ্বজসিংহ স্বৰ্গদেৱে আৰু ধৈৰ্য ধৰিবলৈ অপাৰগ হ'ল। তেওঁ যুদ্ধৰ সমাপ্তি দেখিবলৈ বাঞ্ছা কৰিলে আৰু বিলম্ব কৰাৰ নিমিত্তে সেনাপতিসকলক শাস্তি দিব খুজিলে। তেওঁ বেটীয়ে পিন্ধা সাজপাৰ আৰু খনচেৰেক কুঠাৰ লাচিত বৰফুকনলৈ পঠিয়াই দি কলে যে মোগলক তুৰন্তে আক্ৰমণ কৰিব, নহলে ফুকনে আৰু লগৰ সেনাপতিসকলে সেই সাজপাৰ পিন্ধিব লাগিব, আৰু কুঠাৰেৰে তেওঁলোকৰ বুকু ছিৰিব। মোগল তেতিয়া দলিবাৰীৰ ওচৰত আলাবৈ পৰ্বতৰ দাঁতিত বাহৰ কৰি আছিল। মোগল বাহৰৰ সন্মুখত এখন মুকলি পথাৰ, ভৈয়ামৰ এমূৰ ব্ৰহ্মপুত্ৰৰ গাত লাগিছিল আৰু ইমূৰ চেঁচা নৈলৈকে বিয়পি আছিল। লাচিত বৰফুকনে ভালকৈ জানিছিল যে অশ্বাৰোহী মোগল সৈন্যলৈ ভয় কৰা তেওঁৰ ৰণুৱাই ৰাজপুতৰ লগত মুকলি পথাৰত যুদ্ধ কৰিলে কৃতকাৰ্য হব নোৱাৰিব। স্বৰ্গদেৱৰ আদেশ শুনি লাচিতে মাথোন ক'লে, "আলাবৈত মোগল সৈন্য জুম বান্ধি আছে। কেঁচা বৰলক জোকালে গা সাৰিবলৈ টান হব। তথাপি স্বৰ্গদেৱৰ আজ্ঞা হৈছে, কি বুলিম"?

ইতিমধ্যে ৰামসিংহই আহোমক সমুখ যুদ্ধলৈ আহ্বান কৰি অপমানসূচক পত্ৰ পঠিয়ালে। তাৰ লগে লগে মীৰ নবাব নামে সেনাপতিৰ তলে এফৌজ সেনাও পঠিয়ালে। বৰফুকনে ৰজাৰ

পত্ৰ পাই দুকুৰি হেজাৰ সৈন্য পঠিয়ালে, তেওঁলোকৰ সেনাপতি আছিল চাৰিঙ্গীয়া পেলন ফুকন, দিখৌমুখীয়া ৰাজখোৱা, নামদৈয়ঙ্গীয়া ৰাজখোৱা আৰু ওপৰ-দৈয়ঙ্গীয়া ৰাজখোৱা। ফুকনে ৰামসিংহলৈ কটকী পঠিয়াই জনালে যে তেওঁ একুৰি হেজাৰ সৈন্য মাথোঁ পঠিয়াইছে। ৰাজপুত সেনাপতি ৰামসিংহই ভাবিলে যে তেওঁৰ অলপ সংখ্যক সৈন্যৰ সহায়েৰে যুদ্ধত জয়লাভ কৰিলে তেওঁৰ সুখ্যাতি বাঢ়িব, সেইদেখি তেওঁ মীৰ নবাব সেনাপতিৰ তলে মাত্ৰ দহ হেজাৰ সৈন্য পঠিয়ালে। ৰামসিংহৰ আজ্ঞা মতে মদনাৱতী নামে এজনী তিৰোতা ৰাজপুতৰ যুঁজাৰু সৈন্যৰ আগে-আগে গ'ল। ৰামসিংহই ভাবিলে, "তাই যদি ৰণত পৰে তাৰ পৰা আমাৰ একো অপমান নহব। আৰু যদি শত্ৰুৰ ৰণ-জয় হয় তাৰপৰা তেওঁলোকৰ একো সুখ্যাতি নাবাঢ়িব"। পুৰুষ ৰণুৱাৰ দৰে সাজপাৰ আৰু বৰ্মা পিন্ধি মদনাৱতীয়ে সৈন্যৰ আগে-আগে যাবলৈ ধৰিলে। এশবছৰ পূৰ্বে কোচৰ লগত আহোমে ৰণ কৰোঁতে অৱলম্বন কৰা কৌশল এতিয়া অসমে অৱলম্বন কৰিলে। তেওঁলোকৰ কাঁড়ী আৰু হিলৈদাৰীক ব্ৰাহ্মণৰ সাজপাৰ পিন্ধাই যুদ্ধৰ সৈন্যবাহিনীৰ আগত থোৱা হ'ল। ৰামসিংহই হাতীৰ হাৰ্দাহত বহি এই 'ৱাহ্মণ' সৈন্য দেখি হাঁহিবলৈ ধৰিলে আৰু আহোমৰ মৌলিক ৰণ-কৌশলৰ প্ৰশংসা কৰিলে।

আলাবৈ পৰ্বতৰ দক্ষিণে তয়া-ময়া ৰণ আৰম্ভ হ'ল। মদনাৱতীয়ে বিজুলী বেগেৰে শত্ৰুসৈন্যৰ ফালে খেদি গৈ ভালেমান অসমীয়া ৰণুৱাক কাটিলে। বৰ বেগেৰে ইফাল-সিফাল কৰাত মদনাৱতীক কাঁড় আৰু গুলীয়ে একো কৰিব নোৱাৰিলে। অসমীয়াৰ প্ৰথম তিনি শাৰী সৈন্য ছেদেলি-ভেদেলি হৈ পৰিল আৰু মানুহো অনেক হানি হ'ল। বৰফুকনে খাৰৈ খান্দি তাৰ ভিতৰৰপৰা যুদ্ধ কৰিবলৈ আদেশ দিলে। মদনাৱতীয়ে চতুৰ্থ শাৰী অসমীয়া সৈন্যক আক্ৰমণ কৰোঁতে তেওঁৰ ফৌজ গাঁতত থকা অসমীয়া ৰণুৱাৰ মুখামুখি হ'ল। ৰাজপুত

সৈন্য অইনফালে ঢাল লৈ ব্ৰহ্মপুত্ৰ পাৰ হব খুজিলে, কিন্তু এইবাৰো সিহঁত অসমীয়া সৈন্যৰ সন্মুখত গৈ পৰিল। এইবাৰৰ যুদ্ধত ব্ৰহ্মপুত্ৰৰ পাৰত শক্ৰুৰ গুলী লাগি মদনাৱতীয়ে প্ৰাণ এৰিলে।

মোগল সেনাপতি মীৰ নবাবে এইবাৰ নিজে অসমীয়া সৈন্যৰ ওপৰত আক্ৰমণ পৰিচালনা কৰিলে। চূড়ামণি দৈৱজ্ঞই লাচিতক কলে যে মীৰ নবাব এইবাৰ ৰণত পৰিব। লো-ঠাঠাৰাৰ আঁৰত থাকি লাচিত বৰফুকন আৰু তেওঁৰ ঘাই সেনাপতিসকলে দূৰৰপৰা ৰণ চাই আছিল। তেওঁলোকে যুদ্ধৰ ফলাফলৰ বিষয়ে চূড়ামণি দৈৱজ্ঞক সুধিলে বোলে, "যুদ্ধত কোন কোন ঘাইল হব, কোন মৰিব আৰু কোনে সবাতকৈ টানকৈ ৰণ কৰিব"। ৰণুৱা বাহিনী ৰণ কৰিবলৈ আগবাঢ়ি যোৱা দেখি চূড়ামণি দৈৱজ্ঞই এই বুলি ভৱিষ্যৎ বাণী কবলৈ ধৰিলে, বোলে, "এওঁ মহাযোদ্ধা, এওঁ শক্ৰক মাৰিহে আহিব। সিজন আধামৰা হব। আৰু তৃতীয়জন সম্পূৰ্ণভাৱে ধ্বংস হব"। দৈৱজ্ঞৰ গণনা আখৰে-আখৰে ফলিয়ালে। লাচিত বৰফুকনে প্ৰশংসা কৰি ক'লে, "চূড়ামণি দৈৱজ্ঞ, তুমি গোটেই যুদ্ধশাস্ত্ৰ হাতৰ মুঠিলৈ আনিব পাৰিলা।"

আহোমৰ হাতত পৰাস্ত হৈ মীৰ নবাবৰ সৈন্য বিভঙ্গে পলাবলৈ ধৰিলে। লুথুৰী ৰাজখোৱাই মীৰ নবাবক ধৰি লাচিত বৰফুকনৰ আগত নি থিয় কৰালে। এই লুথুৰী ইতিপূৰ্বে মোগলৰ বন্দী হৈ দিল্লীত আছিল, আৰু মীৰ নবাবে কৈ-মেলি লুথুৰীক বন্দীৰপৰা মোকোলাইছিল। সেইমতে পূৰ্বৰ কথা সুঁৱৰি, মীৰ নবাবে নিজকে মুক্তি দিবলৈ লুথুৰীক ধৰিলে। ইয়াৰ উত্তৰত লুথুৰীয়ে কলে, "তুমি যি কৰিছিলা সেইটো মই কৰিব নোৱাৰোঁ। তোমাক যদি মই এৰি দিওঁ, মোৰ ল'ৰা-ছোৱালী পৰ্যন্তে সকলোকে কাটিব। এনে অনুৰোধ নকৰাই ভাল"। মীৰ নবাবক আহোম কোঠলৈ নি ৰখীয়া দি থলে।

আহোমৰ এই সাম্প্ৰতিক ৰণ-জয়ৰ পিচত মহা বিপৰ্যয় ঘটিল,

আৰু আলাবৈৰ যুদ্ধৰ কথা পৰিতাপ আৰু দুখেৰে মানুহৰ মনত পৰি থাকিব। ৰামসিংহই ভালকৈ বুজি পালে যে আহোমে যুদ্ধ আয়োজনৰ লগে লগে কূটনীতি আৰু অপপ্ৰচাৰৰ সহায় লৈছে। তেওঁ কলে—“পোনতে মোক কৈছিল বোলে, ৰণলৈ মাথোন একুৰি-হেজাৰ সৈন্য পঠিয়াইছে, সেই দেখি মই দহ-হাজাৰ সৈন্য ৰণলৈ পঠিয়ালো, যাতে শত্ৰুৰ সৈন্যতকৈ মোৰ সৈন্যৰ সংখ্যা সৰহ নহয়, আৰু যুদ্ধৰ নীতিও ভঙ্গ নহয়। সমান সৈন্যৰ যুদ্ধ দেখাতে পাপ”। ৰামসিংহ কোঠৰপৰা ওলাই তেওঁৰ ওস্তাদ সৈন্যবোৰক অসমীয়া ৰণুৱাক আক্ৰমণ কৰিবলৈ আদেশ দিলে, আহোমে তেতিয়া যুদ্ধত পোৱা বঙালৰ আহিলা-পাতি লৈ নিজ-নিজ কোঠলৈ উভতি আহিছিল। এইবাৰ ৰাজপুত সৈন্যই যন্ত্ৰ ব্যৱহাৰ কৰিছিল, আৰু দীঘল বাৰুৰ আঁৰত থাকি যুদ্ধ কৰিছিল। অসমীয়া সৈন্যই কোঠ পাওঁ-পাওঁ হওঁতে ৰাজপুত সৈন্যই সিহঁতক আক্ৰমণ কৰিবলৈ ধৰিলে। এই আক্ৰমণৰ কাৰণে অসমীয়া সৈন্য একেবাৰে সাজু হোৱা নাছিল আৰু এই ধৰণৰ নতুন যন্ত্ৰ আৰু দীঘল বাৰুৰে সজ্জিত ৰাজপুত অশ্বাৰোহীৰ লগত যুদ্ধ কৰাবো তেওঁলোকৰ অভিজ্ঞতা নাছিল। শত্ৰুৰ আক্ৰমণৰ আগত আহোম সৈন্য তিষ্ঠিব নোৱাৰিলে। ৰাজপুত সৈন্যই ইমান ওচৰৰপৰা আক্ৰমণ কৰিবলৈ ধৰিলে যে অতি কম সংখ্যক আহোম সৈন্যইহে বন্দুকৰ লিপ্‌লিপ্‌টো টানিব পাৰিলে আৰু ধনুত কাঁড় লগাব পাৰিলে। বৰফুকনৰ দহহেজাৰ সৈন্য আলাবৈৰ পথাৰত প্ৰাণহীন অৱস্থাত পৰি থাকিব লগীয়া হ’ল। ইমান সৈন্যৰ প্ৰাণহানি কৰি বেলি ভাটি দিয়া সময়ত ৰাজপুত সৈন্য বাহিনী নিজৰ কোঠলৈ উভতি গ’ল।

ৰামসিংহৰ আনন্দৰ পাৰ নোহোৱা হ’ল। তেওঁ কলে—“অসমীয়াৰ ইমান সাহ। অশ্বৰৰ আচোৱাৰীৰ লগত যুদ্ধ কৰিবলৈ সাহ কৰে!” আৰু সেইদৰে মূৰ্খামি নকৰিবলৈ লাচিত বৰফুকনলৈ ৰামসিংহই কাঁড়ৰ আগত পত্ৰ মাৰি পঠিয়ালে। আহোম সেনাপতি

বৰফুকনেও ইয়াৰ উত্তৰত কাঁড় মাৰি জনালে—"দাতিয়াল ৰজা অনেক আহিছে। তাৰে কোনো জনে আমাত মুসুধি মৈদানত আনন্দ কৰিলে। এফৈদ পৰিছে, আৰু সপ্তগুন সাষ্টম হৈ আছে।"

আলাবৈত ঘটা এই বিপৰ্যয়ে লাচিত বৰফুকনক বৰকৈ বিচলিত কৰিলে। তেওঁ বাহৰত বহি দুখমনে গুণিবলৈ ধৰিলে—"আমাৰ একোটা সৈন্য একোটা হাতী, মই আজি তেনেকুৱা দহ হেজাৰ সৈন্য একেদিনাখনতে হেৰুৱালো"। মহামন্ত্ৰী আতন বুঢ়াগোঁহাই ডাঙৰীয়াই বৰফুকনক এই বুলি বুজনি দিলে, বোলে—"অৱশেষত আমাৰেই ৰণ জয় হব, এনে দুৰ্ঘটনাৰপৰা আমাৰ উৎসাহ হ্রাস হব নালাগে। বাৰীৰ ভিতৰৰ পুখুৰী সিচোঁতেও আঠোটা-দহটা মানুহক শিঙিয়ে বিন্ধে। এইটো ৰণহে হৈছে। এইজানি দুই-চাৰিলোক কিয় নপৰিব? এই কথা ৰজালৈ জনাবলৈ ভাল নহয়"। থলত থকা বিষয়াৰ পৰামৰ্শ নামানি ওপৰৰপৰা আদেশ জাৰি কৰাৰ কু-পৰিণামৰ দৃষ্টান্ত এই আলাবৈৰ যুদ্ধতে পোৱা যায়। কিন্তু এইটো স্বীকাৰ কৰিব লাগিব যে আলাবৈৰ বিপৰ্যয়ৰপৰা আহোমৰ বিশেষ ক্ষতি হলেও তাৰপৰা শত্ৰুৰ সুবিধা নাবাঢ়িল। আহোম সৈন্যৰ অতি ক্ষুদ্ৰ অংশৰ বিৰুদ্ধেহে শত্ৰুৱে এইদৰে কৃতকাৰ্য হব পাৰিছিল।

## ৰামসিংহই টানকৈ গুৱাহাটী খোজে

আলাবৈৰ যুদ্ধত ৰামসিংহই জয়লাভ কৰি গুৱাহাটী এৰিবলৈ টানকৈ ধৰিলে, আৰু গুৱাহাটীৰ গড় সজোৱাৰ খৰচ স্বৰূপে তিনলাখ টকা অসমক দিবলৈ গাত ললে। ৰামসিংহই বুজিলে যে কেবামাহ ধৰি যুদ্ধ চলি থকা সত্ত্বেও অসমীয়াই এক ধনিষ্ঠা মাটিও এৰি দিয়া নাই, আৰু শত্ৰুৰ গতিৰোধ কৰাৰ কোনো সুবিধাও এৰা নাই। তেওঁলোকৰ মিতিবালিৰ বচনৰো অন্ত নাই। ৰামসিংহ মহা বিপাঙত পৰিল, ধৰিব নে এৰিব একো ঠিক কৰিব নোৱাৰিলে।

ৰামসিংহই লাচিত বৰফুকনৰ বুদ্ধি আৰু ৰণ-কৌশল প্ৰশংসা কৰিব ধৰিলে, আৰু তেওঁৰ পূৰ্বৰ কাহিনীৰ বিষয়ে অসমীয়া কটকী কৌপতীয়া মাধবচৰণক সুধিলে—"মাধবচৰণ, মীৰজুমলাই তোমা-লোকৰ দেশ মাৰোঁতে এইজন সেনাপতি ক'ত আছিল ?" মাধবচৰণৰ সমিধান তেনে সেনাপতি আৰু তেনে কটকীৰ উপযুক্ত আছিল— "পূৰ্বদিশে নৰা নামে এক দেশ আছে। হাতী, ঘোঁৰা, কাপোৰ, জাইগিৰি শোধাত লেহেম কৰিলত জাইগিৰি আনিবৰ কাৰণে স্বৰ্গদেৱে লাচিতক পাঞ্চিলে। সেই দেশক মাৰি-কাটি জাইগিৰি লৈ আহিল। পাচে মাজুম-খাঁ আহিছিল বুলি শুনি খেদি আহি কলিয়াবৰ পালত এনেতে শুনিলে বোলে মাজুম-খাঁ ঢুকাল"। আনৰ মনত ভয় সঞ্চাৰ কৰা শক্তি মাধবচৰণ কটকীৰ জন্মগত আছিল, তেওঁ আৰু কলে—"তিনলাখ প্ৰজা সমন্বিতে পাহাৰী ৰজাসকলো আহিছে, তেওঁলোকৰ মতি-গতি বুজা টান। তেওঁলোকে স্বৰ্গদেৱক প্ৰাৰ্থি ৰণলৈ আহিছে, ফুকনৰ আজ্ঞালৈকো বাট নেচায়। এতিয়াও আহিব লাগিছে। কোনো ঠাইত ছল পালে ঘাইলো কৰে তাকো নেজানি"।

মাধবচৰণ কটকীৰ জৰিয়তে গুৱাহাটী এৰি দিবৰ কাৰণে আৰু পূৰ্বৰ সীমনা ওভোতাই দিবৰ কাৰণে ৰামসিংহই পুনৰবাৰ অনুৰোধ কৰিলে। বৰফুকনে মাধবচৰণক লথিয়া পৰ্বতত থকা বুঢ়াগোহাঁইৰ তালৈ পঠিয়ালে। ডাঙৰীয়াৰ পৰামৰ্শ লৈ কটকী বৰফুকনৰ তালৈ উভতি আহিল। আহোমে কি মন কৰিছে—এই বুলি সোধাত মাধবচৰণে ৰামসিংহক বৰফুকনৰ হৈ এই বুলি উত্তৰ দিলে —"আমি স্বৰ্গদেৱৰ আজ্ঞাকাৰী, ৰামসিংহ ৰজা আৰু আমাৰ নিবন্ধ কিমান কাল ৰহিব? তেওঁ বৰলোকৰ সন্তান। নিবন্ধ কৰিলে প্ৰীতিগোট সহ উত্তৰোত্তৰ যাতে বৃদ্ধি পায় তেনে নিবন্ধহে কৰা উচিত, লোকেও প্ৰশংসা কৰে। সুচাৰু সুবুদ্ধি মন্ত্ৰী বুলি ৰামসিংহ ৰজাক আমাৰ দেশৰ বিৰুদ্ধে যুদ্ধলৈ পঠিয়াইছে। এই দেশত পৰাংমুখ হৈ গলে তেওঁ কেনেকৈ প্ৰশংসা পাব"? কটকীৰ কথা শুনি ৰামসিংহই বৰফুকনৰ বাক্যকে মানি লোৱাৰ ভাও কৰিলে।

আহোমবৰপৰা কোনো বিশেষ সুবিধা নাপাই ৰামসিংহে অসমৰ সেনাপতিসকলক ধন আৰু বঁটা দি ফুচুলাবলৈ চেষ্টা কৰিলে। তেওঁ মাধবচৰণ কটকীৰ আগত বিশ্বাসে কলে—"মই ফুকন ৰাজখোৱালৈ ধন দিওঁ, তেওঁলোকে ইয়াক পাই ৰৰাই-বুজাই গুৱাহাটী এৰি দিয়ক। মোক যি বোলে তাকে কৰিম"। পাচে কটকীয়ে তেনে কৰিবলৈ গাতো ললে, আৰু ধনো ললে। বৰফুকনলৈ বাখৰপতা কণ্ঠহাৰ এধাৰি উপহাৰ দিলে, আৰু তাক যুদ্ধলৈ যাওঁতে পিন্ধিবলৈ কলে। ৰামসিংহই নিজৰ কটকী পণ্ডিতৰায়ক মাধবচৰণৰ লগত পঠিয়ালে। এই পণ্ডিতৰায় এজন বিচক্ষণ কূটনৈতিক পুৰুষ আছিল। পণ্ডিতৰায়ে নিজৰ সকলো সামৰ্থ যুক্তিৰে বৰফুকনক গুৱাহাটী এৰি দিবলৈ কলে। বৰফুকন আগৰ সংকল্পতে দৃঢ় হৈ থাকিল। ফুকনে কলে—"উদয়গিৰিৰ স্বৰ্গ মহাৰাজা, অস্তগিৰিৰ পাদশ্যাহ, এওঁলোক দুজনে সিদ্ধান্ত কৰিলেহে আমি নিজৰ ৰাজ্য এৰি

দিব পাৰিম তোমালোকেও বঙ্গলাদেশ এৰি দিব পাৰিবা। আমি সেৱক হৈ যদি কিবা নিবন্ধ কৰোঁ, স্বামীজনে তাক নাৰাখিবও পাৰে”। এইবুলি পণ্ডিত ৰায়ৰ লগত মাধবচৰণ কটকীক মোগলৰ তালৈ পঠিয়াই দিলে।

যুদ্ধৰ মীমাংসা এটাত উপনীত হবলৈ ৰামসিংহ বৰ ব্যগ্ৰ হৈ উঠিল। পণ্ডিতৰায়ৰ মুখে শুনিলে যে ইটাখুলি কোঠ আৰু কামাখ্যা পৰ্বতৰ নামনিৰ মাজত গড়ৰ এছোৱাত লুইতৰ বালিত এটা সুৰঙ্গ আছে। এই বালি ডোখৰৰ নাম আন্ধাৰুবালি আৰু ইয়াৰ কাষেৰেদি বৰ্তমানে গুৱাহাটী ষ্টেশু ৰোড গৈছে। কামাখ্যাৰ নামনিত নাওঁ ৰখা ঠাইকে আমাৰাজুৰি ঘাট বোলা হয়। ওঠৰ-শ শতিকাৰ শেহলৈকে আন্ধাৰুবালিত এটা গড় আছিল। কিন্তু এতিয়া তাৰ কোনো চিনচাব নাই। ব্ৰহ্মপুত্ৰৰ পাৰত থকা এইডোখৰ ঠাই সদায় নৈয়ে খহাই নিয়াৰ আতঙ্কৰ সম্মুখীন। সুপ্ৰসিদ্ধ কামাখ্যা মন্দিৰ পূৰ্ব ভাৰতত সৰাতকৈ পুৰণি তান্ত্ৰিক উপাসনাৰ ঠাই বুলি মানুহে বিশ্বাস কৰে। গুৱাহাটীৰ পশ্চিমে দু'মাইল আঁতৰত এটা পৰ্বতৰ ওপৰত এই কামাখ্যা মন্দিৰ প্ৰতিষ্ঠিত। কামাখ্যাৰ সম্মুখে উত্তৰ পাৰে অশ্বক্ৰান্ত মন্দিৰ। সেইদেখি দক্ষিণে আমাৰাজুৰি ঘাট আৰু ইটা-খুলি আৰু উত্তৰে অশ্বক্ৰান্ত, এই তিনিক সংলগ্ন কৰি এটা ত্ৰিভুজৰ ছবি আঁকিব পাৰি। ৰামসিংহই আন্ধাৰুবালিৰ গড়ৰ সুৰঙ্গইদি গুৱাহাটী সোমাবলৈ মনস্থ কৰিলে, লগত থাকিব এফৌজ অশ্বাৰোহী সৈন্য আৰু তেওঁৰ মানুহ আৰু ঘোঁৰা নাৱত তুলি লুইত পাৰ কৰাব।

# স্বৰ্গদেৱ চক্ৰধ্বজসিংহৰ মৃত্যু

অসম-মোগলৰ যুদ্ধ এইদৰে চলি থকাত অসমৰ ৰজা চক্ৰধ্বজসিংহৰ মৃত্যু ঘটিল, এপ্ৰিল ১৬৭০। অসমৰ মান-মৰ্যাদাৰ পুনৰ উদ্ধাৰত চক্ৰধ্বজসিংহ স্বৰ্গদেৱৰ অপৰিসীম আত্মসন্মান জ্ঞান আৰু দেশপ্ৰেম ঘাইকৈ কাৰ্যকৰী আছিল। তেওঁৰ আদৰ্শই সেনাপতি আৰু ৰণুৱা-সকলৰ অন্তৰত সাহ আৰু প্ৰতিজ্ঞাৰ বীজ ৰোপণ কৰিছিল। অসমৰ মুখিয়াল পুৰুষসকল গুৱাহাটীত থকাত স্বৰ্গদেৱে তলখাপৰ বিষয়াৰ সহায়েৰে ৰাজকাৰ্য চলাব লগীয়া হৈছিল আৰু দূৰণিত থকা সৈন্য-সামন্তৰ কাৰণে মানুহ আৰু আহিলাপাতি যোগান দিব লগাত পৰিছিল। যাবতীয় ৰাজ্য পৰিচালনাৰ কাম সুদক্ষভাৱে সম্পাদিত হোৱাত সৈন্যক যোগান দিয়া কাম সুচাৰুৰূপে সম্পন্ন হৈছিল। যুদ্ধৰ আয়োজন প্ৰবল-প্ৰতাপেৰে চক্ৰধ্বজসিংহ স্বৰ্গদেৱে প্ৰবৰ্তন কৰাত ইয়াৰপৰা চূড়ান্ত বিজয়ৰ কাম সহজসাধ্য হৈ পৰিছিল।

# স্বৰ্গদেৱ উদয়াদিত্যসিংহ

স্বৰ্গদেৱ চক্ৰধ্বজসিংহৰ মৰণান্তে তেওঁৰ ভায়েক উদয়াদিত্যসিংহ সিংহাসনত বহিল। ন-জনা স্বৰ্গদেৱ সাধাৰণভাৱে যুদ্ধ পৰিচালনাৰ কাৰণে সামৰ্থ আছিল, কিন্তু ককায়েক ৰজাৰ দৰে শক্তিমন্ত আৰু উদ্যোগপূৰ্ণ পুৰুষ নাছিল। যুদ্ধৰ গতি দীঘলীয়া হোৱাৰ বাবে অসমীয়া সৈন্যৰ মাজত ওজৰ-আপত্তিও হবলৈ ধৰিছিল। ৰামসিংহই আগতকৈও সঘনে আৰু টানকৈ নিজৰ দাবী-প্ৰস্তাব ডাঙিবলৈ ধৰিলে। তেওঁ অসমীয়া সেনাপতিসকলক বুজালে যে তেওঁৰ দাবী গ্ৰহণ নোহোৱালৈকে তেওঁ অসম এৰি নেযায়। দিল্লী এৰিবৰ সময়ত সম্ৰাট আওৰঙ্গজেৱে ৰামসিংহক কোৱা কথাখিনি অসমীয়াৰ মাজত প্ৰচাৰ হবলৈ ধৰিলে। সম্ৰাটে ৰামসিংহক বোলে কৈছিল —"তুমি যদি অসমক পৰাস্ত কৰি আহিব পাৰা তেন্তে তোমাক ভাল ওমৰাও পাতিম আৰু বহুমূলীয়া উপহাৰ দিম। যদিহে নোৱাৰা তেন্তে তোমাৰ শিৰচ্ছেদ হব, তাৰোপৰিও তোমাৰ ল'ৰা-ছোৱালী আৰু অঙ্গহী-বঙ্গহীক তোমাৰ ঠাইৰপৰা দূৰত নি মাৰিম"। অসমীয়া সেনাপতিসকলে ৰামসিংহৰ শান্তিৰ প্ৰস্তাবসমূহক প্ৰশ্ৰয় দিবলৈ ধৰিলে আৰু দুয়ো-পক্ষৰে লেনদেন আগতকৈও প্ৰীতিময় হ'ল।

ৰামসিংহই এইবাৰ তিনিজন কটকী পঠিয়ালে—মীৰা, ৰামহৰি কাৰ্জি আৰু পণ্ডিতৰায় আৰু নিজৰ দাবী জনাই পত্ৰও দিলে। বৰ-ফুকনে কলে—"আহ্লায়াৰ খাঁ আৰু মোৰ পিতৃদেৱতাৰ মাজত যি নিবন্ধ হৈছিল তাৰ সুখ্যাতি আজি অৱধি জিলিকি আছে। ৰজাই যদি প্ৰীতি বাঞ্ছা কৰে তেনেহলে তেওঁ মীৰাকে পণ্ডিতৰায়কে পঠিয়াই দিব"। লগতে ৰামসিংহলৈ উপহাৰো পঠিয়ালে। ৰজাই পণ্ডিতৰায় আৰু মীৰাক ওভোতাই পঠিয়াবলৈ গাত ললে। অসমীয়া কটকী নীম আৰু ৰামচৰণে বৰফুকনক এই প্ৰস্তাৱ জনালে। এইবাৰ ৰামসিংহই অসমীয়া কটকীক বিশেষ সন্মানেৰে তুলিলে। কটকীক

সোণৰ খুৰীতকৈ ফুলচন্দন আৰু ৰূপৰ কাঁহিতকৈ তামোল পাণ দিলে। বঙালৰ কটকী পণ্ডিতৰায়কো সেই সন্মানেৰে তুলিবলৈ বৰফুকনে আয়োজন কৰিলে। ইয়াকে শুনি স্বৰ্গদেৱ উদয়াদিত্য-সিংহ মহাৰাজে পণ্ডিতৰায় কটকীক তোলা সময়ত ব্যৱহাৰ কৰিবলৈ বৰফুকনলৈ চন্দ্ৰতাপ, কেপ কৰা তলছা, পিকদান, ফুলচন্দন, তামোল পাণ দিবলৈ সোণৰ খুৰী, ৰূপৰ কাঁহি, বনকৰা চন্দোৱাৰ পঠিয়াবলৈ যত্ন কৰিলে।

কিন্তু ৰামসিংহই ভালকৈ বুজিলে যে অসমীয়াৰ শান্তিৰ কাৰণে দেখুৱা চেষ্টাৰ উদ্দেশ্য আছিল চূড়ান্ত যুদ্ধৰ কাল হোঁহোঁকাই নিয়া। ৰামসিংহই অসমৰ কটকী নীম আৰু ৰামচৰণক কলে, বোলে— "বাৰে-বাৰে উকীল পঠাওঁ, কামতো একো হাছিল নহয়। বৰফুকনে মোক গুৱাহাটী এৰি দিয়ক, আৰু ছৈয়দ ফিৰোজৰ বেটা ছৈয়দ চালাকো এৰি দিয়ক। মই যদি ইয়াতকৈ অধিক বিচাৰোঁ মোক এই হাতৰ তৰোৱাল পৰমেশ্বৰীয়ে খাব, আৰু মোৰ ডিঙিৰ মুকুতাৰ কণ্ঠহাৰ মহালক্ষ্মীয়ে মোক চিৰকাললৈ এৰিব। মোৰ কথাত যদি সঞ্জাত নেযায় তেন্তে লৌহিত্যৰ সমীপত মাধৱ গোঁসাই আছে, তাতে শপত কাঢ়িম। ভাই ফুকনে যদি এই কথা গাত লয় তেন্তে তেওঁ যি খোজে মই তাকে দিম"। ৰামসিংহই এই সমিধান নীম আৰু ৰাম-চৰণৰ জৰিয়তে পঠিয়ালে, লগত মোগলৰ কটকী আৰু পত্ৰ একো নিদিলে। ৰামসিংহৰ প্ৰস্তাৱৰ কথা ফুকনে স্বৰ্গদেৱলৈ জনাই পঠালে, কিন্তু স্বৰ্গদেৱে বৰফুকনৰ প্ৰস্তাৱক গ্ৰাহ্য নকৰিলে, কাৰণ তাক ৰামসিংহৰ কটকীয়ে অনা নাছিল। পণ্ডিতৰায় কটকীক তুলিবৰ নিমিত্তে স্বৰ্গদেৱে যি যি বাহানি যঁতাই থৈছিল তাকো বৰফুকনলৈ নপঠিয়ালে।

বৰফুকন প্ৰমুখ্যে সেনাপতিসকলে গুৱাহাটী এৰি দিবলৈ মন কৰিছিল বুলি জনা যায়। কিন্তু এই সিদ্ধান্তৰ সঠিক কাৰণ কি তাক

জানিব পৰা নেযায়। মহামন্ত্ৰী বুঢ়াগোঁহাই ডাঙৰীয়াই এই প্ৰস্তাৱত অমান্তি হৈ ক'লে—"তোমালোকে যি বুলিছা সিও এক কথা। কিন্তু এতিয়া গুৱাহাটী এৰি দিব লাগিলে, আগেয়েনো এৰি নিদি কি নিমিত্তে যুদ্ধ কৰি আহিলাপাতি হানি কৰিলোঁ? ৰামসিংহই শপত কাঢ়ি সীমনা খুজিছে। আমি দিলেও ৰামসিংহৰ শপত পাদশাহাই ৰাখে কিঁ নেৰাখে! ৰামসিংহৰ শপত ছাই-আলিৰ নিচিনা। তেওঁৰ অঙ্গীকাৰ পাচলৈ যিজন নবাব আহিব তেওঁ ৰাখে নে নেৰাখে তাৰো ঠিকনা নাই। তেতিয়া হলে আমি কি কৰিম? আৰু গুৱাহাটী এৰি আন কলৈ যাম? পাচলৈ আমি গড়গাওঁ এৰি নামৰূপলৈ যাব লাগিব"। বুঢ়াগোহাঁইৰ মতকে স্বৰ্গদেৱে ৰাখিলে। স্বৰ্গদেৱৰ আজ্ঞামতে আহোম সেনাপতিসকলে যুদ্ধৰ কাৰণে সষ্টম হৈ ৰ'ল।

ইতিমধ্যে সম্ৰাট আওৰঙ্গজেৱে ৰছিপ-খাঁৰ মুখে কৈ পঠিয়ালে, বোলে—"মই ৰামসিংহক অসমৰ সন্মুখে যুদ্ধলৈ পঠিয়াইছোঁ, তাৰ মানুহৰ লগত মিতিৰালি কৰিবলৈ পঠোৱা নাই।" এই ৰছিপ-খাঁ সুপ্ৰসিদ্ধ নৌ-সেনাপতি মনোৱাৰ-খাঁৰ ভতিজাক আছিল। ৰামসিংহই বোলে—"মই যুদ্ধ কৰি চালোঁ, যুদ্ধত নোৱাৰি, বন্দুক যাঠি ৰৰচিৰ যুদ্ধৰো প্ৰয়োজন নাই, মৈদান নহয়। উত্তৰে-দক্ষিণে অসমে বেহুগড় কৰিছে। পানীৰে এটি যুদ্ধ আছে।"

ৰামসিংহই দিল্লীৰপৰা এটি বাৰ্তা পাই মনত বৰ দুখ পালে। ৰামসিংহ অসমত থকা সুবিধা লৈ সম্ৰাট আওৰঙ্গজেৱে এদিন খং উঠি পুতেক কৃষ্ণসিংহক বাঘৰে সৈতে যুজি বং দেখুৱাবলৈ কলে। কৃষ্ণসিংহই ঢাল তৰোৱাল লৈ আগবাঢ়ি গৈ বাঘৰ লগত কিছুপৰ যুদ্ধ কৰি তাক তৰোৱালেৰে কাটি দুডোখৰ কৰিলে। এই বাতৰিৰ লগতে ৰামসিংহৰ মাক আৰু পত্নীয়ে পত্ৰ লিখি জনালে, বোলে—"কৃষ্ণসিংহক পাদশ্যাহে বাঘেৰে যুঁজাই মাৰিব খুজিলে, এনে মিত্ৰ পাদশ্যাহ! আমাৰ বংশে অনেক ৰজাসকলক পাদশ্যাহৰ বশ কৰি

দিছে। তাৰ যশ-ধৰ্মে আমাক আটিছে! পূৰ্বৰ দেশ মাৰি মোগলৰ বশ কৰি দিলেহে আটিবনেকি? আৰু শুনিছোঁ সেই দেশত অনেক নাম-কীৰ্তন প্ৰকাশ হৈ আছে, আৰু তাত গো-ব্ৰাহ্মণ বৈষ্ণৱসকল সুখ শান্তিৰে আছে। তেনে দেশ মাৰিলে তাৰ পৰিণাম কি হয় তাক তুমি জানা। আৰু মনত ৰাখিবা যে অসমদেশ মাৰি মাজুম-খাঁ সৰহ-দিন জীয়াই থাকিব নোৱাৰিলে। ইয়াকে চাই যি ভাল হয় তাকে কৰিবা"। ইয়াকো শুনা গৈছিল যে সম্ৰাট আওৰঙ্গজেৱে ৰামসিংহৰ পুতেকক ইছলাম ধৰ্মত দীক্ষিত কৰিবলৈ প্ৰস্তাৱ কৰিছিল।

## শৰাইঘাট যুদ্ধত অসমীয়াৰ জয়

ৰামসিংহ ৰজাই ভালকৈ বুজিছিল যে শান্তিৰ প্ৰস্তাবৰপৰা একো ফল নধৰে। এইবাৰ তেওঁ আক্ৰমণৰ ব্যবস্থা কৰি যুদ্ধৰ চূড়ান্ত সিদ্ধান্তৰ কাৰণে চেষ্টা কৰিবলৈ ধৰিলে। আন্ধাৰুবালিৰ গড়ৰ সুৰঙ্গইদি গুৱাহাটী সোমোৱাৰ সম্ভাৱনা আৰু বৰফুকনৰ নৰিয়া অবস্থাৰপৰা সুবিধা হব বুলি ৰামসিংহই ক্ষিপ্ৰ গতিৰে কাম কৰিবলৈ ধৰিলে। পাঁচোটা মোগল চৰ্দাৰে নাৱৰপৰা হিলৈ কাঁড় মাৰিবলৈ ধৰিলে। তাৰ ভিতৰত দুটা ফিৰিঙ্গিও আছিল। তাকে দেখি অসমীয়া নাওঁ আমাৰাজুৰি ঘাটৰ পোনে ভটিয়াবলৈ ধৰিলে। ধোঁৱাত উঠি মোগলৰ সেনাই আন্ধাৰুবালিৰ পোনে নাওঁ মেলিলে। গড়ৰ সুৰঙ্গ ইতিমধ্যে মেৰামতি কৰাত মোগলৰ নাওঁ উত্তৰপাৰে জুৰিয়ালৈ গ'ল। অসমীয়া সৈন্যই মোগলৰ নাওঁ খেদি অশ্বক্ৰান্ত পালেগৈ।

বৰফুকনৰ তেতিয়া টান নৰিয়া। আৰু তেওঁ নিজে সৈন্য চলাব নোৱাৰাৰ কাৰণে আহোমে এক প্ৰকাৰে যুদ্ধ জয়ৰ আশা এৰিব লগাত পৰিল। কিছুমানে উজাবৰ মনেৰে নাৱত মাল-পত্ৰ বোজা দিবলৈ ধৰিলে। অশ্বক্ৰান্তৰ্ত সেনাপতি আছিল মিৰি-সন্দিকৈ পৰিয়ালৰ হাজৰিকা এজন, তেওঁৰ মানুহে যুদ্ধ এৰা দেখি সহায় বিচাৰি বৰফুকনলৈ প্ৰাৰ্থনা জনালে। বৰফুকনে হাজৰিকালৈ কৈ পঠিয়ালে বোলে—"তোৰ মানুহক কবি যে মই ইয়াতে মৰিম, আৰু যুদ্ধ এৰাৰ কথা মই সপোনতো ভাবিব নোৱাৰোঁ। চিলাৰ পৰ্বতত মই চাৰি কড়াৰ মাটি কিনি থৈছোঁ। মই মৰাৰ কাল আছে, যদি নমৰাকৈ থাকোঁ মই ৰাজ্যতকৈ পাচতহে চাম।" নৰা হাজৰিকা নামে সেনাপতি এজন সিন্দূৰীঘোপাৰপৰা আহি অশ্বক্ৰান্তত স্বৰ্গদেৱৰ

শৰণ দি ভাগিব খোজা সৈন্যৰ আগত আঠু লৈ বোলে—“ৰাজ্য ঐ, সুনীয়া কাঁহিত বিহ ঢালিব খোজ যদি ভাগ।” এই কথা শুনি বৰফুকনে নৰা হাজৰিকালৈ ততালিকে দুহেজাৰ সৈন্য পঠিয়াই দিলে।

যুদ্ধ এৰি পলাবৰ কাৰণে ইমান খৰ-খেদা লাগি গ'ল যে বহতীয়া লিগিৰাইঁতে বুঢ়াগোহাঁই আৰু বৰফুকনৰ বস্তু নাৱত বোজাই দিবলৈ ধৰিলে। এনেকি বৰফুকনৰ নাওঁ কিছুদূৰ উজাই আনি লতাশিল পোৱালে। বৰফুকনে নৰিয়াত পৰি কাঁড় ঘৰৰ লোটতে থাকি যুদ্ধৰ গতিবিধি চাই আছিল। মোগলৰ নাওঁ জুৰিয়াৰপৰা অশ্বক্ৰান্তলৈ যোৱা তেওঁ দেখিলে। তেওঁ ভাবিলে যে অতি সোনকালে দুয়ো-পক্ষৰ তয়া-ময়া ৰণ লাগিব, আৰু সেই ৰণত আহোম সৈন্যক মাৰি খাস্তাং কৰিব।

নৰিয়াৰ কাৰণে বৰফুকনে লৰচৰ কৰিব নোৱৰা হ'ল। তেওঁক পিৰাৰে সৈতে বাটঘৰলৈ নিবলৈ ক'লে, বোলে—“বঙাল কিমান পাইছেহি চাওঁ।” চাবিটা ভূঞাৰ পোৱালিয়ে বৰফুকনৰ পিৰাৰ চাৰিখুৰাত ধৰি তেওঁক বাটঘৰলৈ আনিলে।

এটা মুহূৰ্তও পেলাই দিব নোৱাৰি! বৰফুকনে শত্ৰুক খেদি যাবলৈ মন কৰিলে। এতিয়া ভাল সময় উপস্থিত হোৱা নাই বুলি মোগলক আক্ৰমণ কৰিবলৈ অচ্যুতানন্দ দলৈয়ে বৰফুকনক হাক দিলে। বৰফুকনৰ জীৱনত এটা ভীষণ সমস্যাৰ সন্ধিক্ষণ উপস্থিত হৈছে। তেওঁৰ সৈন্য শত্ৰুৰ হাতত ধ্বংস হোৱাৰ উপক্ৰম, আৰু তাৰ লগে লগে তেওঁৰ দেশৰ স্বাধীনতাও লুপ্ত হোৱাৰ আগন্তক। ইপিনে শাস্ত্ৰই বাধা দিছে বোলে—“এনে সময়ত শত্ৰুক আক্ৰমণ কৰিলে পৰাজয় অনিবাৰ্য।” তেওঁ নিজে আদেশ প্ৰচাৰ কৰিছিল যে তেওঁৰ অস্ত্ৰশালৰপৰা খেনহিলৈৰ মাত নুশুনিলে কোনেও গুলী-কাঁড় মাৰিব নোৱাৰিব। স্বৰ্গদেৱৰ চ'ৰাত ব্ৰাহ্মণ আৰু আহোম দৈবজ্ঞ

বিশেষ বিশ্বাসৰ পাত্ৰ আছিল। মুখিয়াল সেনাপতি আৰু ৰাজ্য চলোৱা বিষয়াসকলৰ লগত সুনিপুণ দৈবজ্ঞসকল আছিল, আৰু স্বৰ্গদেৱসকলে আদেশ প্ৰচাৰ কৰিছিল যে যুদ্ধৰ আয়োজন আৰু আক্ৰমণ আৰম্ভ কৰাৰ পূৰ্বে দৈবজ্ঞসকলৰ মতামত লব লাগিব। ৰাজনৈতিক ক্ষেত্ৰত জ্যোতিষৰ ব্যৱহাৰৰ বিষয়ে বিশদ গ্ৰন্থ প্ৰচলিত আছিল। দেশৰ এজন মুখ্য বিষয়া হৈ, আৰু দেশৰ দৰ-দস্তুৰ জানি দৈবজ্ঞৰ মতামত লাচিত বৰফুকনে অগ্ৰাহ্য কৰিব নোৱাৰিছিল। অসহ্য শাৰীৰিক আৰু মানসিক যন্ত্ৰণা ভোগ কৰিবলৈ ধৰি ফুকনে কলে—"গণক, স্বৰ্গদেৱে নৌকাটোতেই মইহে তোক কাটিম।" নিজৰ গণনাৰ ওপৰত অচ্যুতানন্দৰ দৃঢ় বিশ্বাস আছিল, তেওঁ লাহেকৈ মাত লগালে—'কাটিবা'। এইখিনিতে লাচিত বৰফুকনৰ সম্ভ্ৰম-সূচক মনোবৃত্তি স্বীকাৰ কৰি কব লাগিব যে দৈবজ্ঞই শত্ৰুৰ লগত কিবা অভিসন্ধি কৰিছে বুলি তেওঁ একমুহূৰ্তলৈকে সন্দেহ কৰা নাছিল।

লাচিত বৰফুকনে দৈবজ্ঞৰ নিষেধ মান্য কৰিলে। যুদ্ধৰ অৱস্থাৰ বিষয়ে তেওঁ তিলে-তিলে বাতৰি পাই আছিল। বৰফুকনে আৰু ধৈৰ্য ধৰিব নোৱাৰি কলে—"বঙাল দেখো আমাৰাজুৰি পাৰ হ'ল। গণক, তয়ো কটা গলি, মোৰো দুৰ্যশ আনি চাউল-কানি মাৰিলি"। ক্ষন্তেকৰ পাচতে দলৈয়ে কলে—"স্বৰোদয় শাস্ত্ৰত উত্তম পাইছোঁ। এতিয়া বঙালক ধৰিবলৈ উঠিব লাগে। এই ক্ষণতে ৰামচন্দ্ৰই ৰাৱণক আক্ৰমণ কৰিছিল।"

বৰফুকনে খৰঙ্গীখেলৰ নদাইৰ গাত ধৰি বাটঘৰলৈ আহি নাৱত উঠিলেহি, লগত ছখন যুদ্ধৰ নাওঁ আছিল। আহোম সৈন্য পলাব ধৰা দেখি বৰফুকনৰ নাৱৰীয়াই তেওঁৰ নাওঁখন উজাবলৈ ধৰিলে। ইয়াকে দেখি বৰফুকনে নাৱৰপৰা চিঞৰি মাত লগালে —"বঙালৰ লগত যুদ্ধ কৰিবৰ নিমিত্তে স্বৰ্গদেৱে এই থলখনৰ

সকলো লোক মোৰ হাতত দি থৈছে। এতিয়া মই যুঁজি ৰণ এৰি ল'ৰা-তিৰোতাৰ লগলৈ যাম নেকি? বন্দী চহীয়ালে মোত সুযুধি কিয় নাওঁ উজাই মেলিব"? এই বুলি চাৰিটা চহীয়ালক হেংদানৰ গাদীৰে কোবাই পানীত পেলালে। লগৰ মানুহে মাতিলত সিহঁতক নাৱলৈ তুলিলে।

ইমান ততাতৈয়াকৈ চহীয়ালক শাস্তি দিয়া দেখি ৰণুৱাবোৰৰ প্ৰাণত বিষম ভয় সোমাল। এনে এটা ধক উঠিল বোলে বৰফুকনে বঙালক নধৰি ৰাজ্য ভাগিবৰ দেখি মানুহ কাটিছে, পানীত বান্ধি পেলাইছে। হাবিত লগা জুইৰ দৰে এই বাৰ্তা বেগেৰে প্ৰচাৰিত হোৱাত সৈন্যসকল আচম্বিতে উৎকট সাহেৰে অনুপ্ৰাণিত হ'ল। বৰফুকনে সকলোৱে শুনাকৈ চিঞৰি ক'লে—"বঙালে মোক ধৰি নিয়ক, ৰাজ্য সুখে-শান্তিৰে ঘৰলৈ ওভতি যাওক"। হিলৈ জাৰি কৰি বৰফুকনৰ সাতখন নাওঁ বঙালৰ সন্মুখে মেলিলে। বৰফুকনক বঙালৰ নাৱৰ সন্মুখীন হোৱা দেখি দুয়োপাৰৰ অসমীয়া নাওঁ ভটিয়াই বৰফুকনৰ গালৈ মেলিলে। অসমীয়া সৈন্যই পাৰৰপৰা আৰু নাৱৰপৰা গুলীয়াবলৈ ধৰিলে। আন্ধাৰুবালিৰ সুৰঙ্গইদি গুৱাহাটী সোমাব পাৰিম বুলি মোগল সেনাপতি ৰছিপ-খাঁই নাৱত বহি অসমীয়াৰ পিনে পিঠি দি হোকা হুপি আছিল। শত্ৰুৰ গুলী লাগি ৰছিপ-খাঁই প্ৰাণ এৰিলে।

অসমীয়া যুদ্ধৰ নাওঁ বঙালৰ নাৱৰ মাজত সোমাল। দুয়োপক্ষৰে ভিতৰত টান যুদ্ধ হ'ল। কামাখ্যা, ইটাখুলি আৰু অশ্বক্ৰান্ত, এই তিনি ঠাইত নাও উপচি পৰিল, আৰু সৈন্যবোৰে দুবুৰি সাৰিবলৈ পানীত পৰি কক্‌বকাবলৈ ধৰিলে। আহোমে এখন নাৱৰ পাচত আন এখন জোৰা দি ব্ৰহ্মপুত্ৰৰ ওপৰত দলং বান্ধিলে। অসমীয়াৰ আক্ৰমণৰ প্ৰকোপত মোগল তিষ্ঠিব নোৱাৰিলে। অসমীয়াই নিজৰ প্ৰাণ আৰু স্বাধীনতা ৰক্ষা কৰিবলৈ যুদ্ধ কৰিছিল। আৰু

মোগলে যুদ্ধ কৰিছিল যুদ্ধজয়ৰ গৌৰব আৰু ৰাজ্য-বৃদ্ধিৰ বিলাসৰ কাৰণে। বঙালৰ ফালে বিস্তৰ সৈন্য হানি পৰিল। যুদ্ধৰ থলিৰপৰা তিনিমাইলমান ভাটিত থকা পাণ্ডুলৈকে অসমে বঙালক খেদিলে। বৰফুকনে আৰু খেদি যাবৰ মন কৰিছিল। অচ্যুতানন্দ দলৈয়ে হাক দিলতহে আৰু খেদি নগ'ল। যুদ্ধৰ অবসান হ'ল আৰু সুনিশ্চিতভাৱে অসমৰ জয়লাভ হ'ল।

যুদ্ধৰ শেহত ৰামসিংহই অসমৰ সাহপিত আৰু ৰণকৌশলৰ প্ৰশংসা কৰিবলৈ ধৰিলে, বোলে—"প্ৰতিজন অসমীয়া সৈন্য নাওঁ চলোৱা, কাঁড়মৰা, খাৰৈ খন্দা, আৰু হিলৈ কামান মৰা, এই সকলোতেই পাকৈত। এনেদৰে সকলো কামতে পাৰ্গত ৰণুৱাৰ দৃষ্টান্ত ভাৰতবৰ্ষত মই ক'তো দেখা নাই"। ৰামসিংহই আৰু কলে—"অসমৰ সম্মুখে যি আহিব তাৰ গালত হাৰীৰ বাঢ়নিৰে কোবাব"।

আগৰ দিনত গুৱাহাটী আৰু তাৰ ওচৰৰ অঞ্চলক শৰাইঘাট বোলা হৈছিল। অৱশ্যে, পাণ্ডুৰ উত্তৰপাৰে থকা আমিনগাওঁ নামৰ সৰু গাওঁখনকে প্ৰকৃত পক্ষে শৰাই বোলা হৈছিল। আমিন-গাঁৱত বৰ্তমানে এটা ৰেলৰ ষ্টেচন বহিছে। সেইদেখি এই ৰণক শৰাইঘাটৰ যুদ্ধ বুলি কোৱা হয়। গুৱাহাটী আৰু তাৰ ওচৰে-পাঁজৰে থকা বিষয়াসকলক সদায় শৰাইঘটীয়া বোলা হৈছিল। আৰু যিসকল সেনাপতিয়ে শৰাইঘাটৰ যুদ্ধত অংশ গ্ৰহণ কৰিছিল তেওঁলোকক পাচলৈকো শৰাইঘটীয়া বুলি বৰ্ণোৱা হৈছিল। মোগল সম্ৰাটৰ অনুগ্ৰহ পুনৰ পাবলৈ ৰামসিংহই যি আশা কৰিছিল শৰাইঘাটৰ ৰণত আহোম বিজয়ী হোৱাত সেই আশা সমূলে উৎপাতিত হ'ল। অসমৰ স্বৰ্গমহাৰজাক পৰাস্ত কৰিবৰ মনেৰে ৰামসিংহ ইয়ালৈ আহিছিল, কিন্তু সামৰিক আয়োজন আৰু প্ৰীতি-প্ৰস্তাব আদি যুদ্ধৰ সকলো কৌশল অবলম্বন কৰিও ৰামসিংহৰ

আশা চৰিতার্থ নহ'ল। 'আলমগীৰ-নামা' গ্ৰন্থকাৰে অসমৰ নৃপতিসকলক কৰা প্ৰশংসা-বাণী শৰাইঘাটৰ যুদ্ধত ন-কৈ ফলিয়ালে —"অসমৰ ৰজাসকলে কেতিয়াও বশ্যতা আৰু বাধ্যতা স্বীকাৰ কৰি আনৰ আগত শিৰ দোঁওৱা নাই। তেওঁলোকে অতি ক্ষমতাপন্ন সম্ৰাটকো কোনো কৰ বা খাজনা দিয়া নাই, তেওঁলোকে হিন্দুস্থানৰ দিগ্বিজয়ী সেনাপতিসকলৰ উচ্চ অভিলাষ আৰু বিজয়-বাসনাৰ গতিৰোধ কৰিছে। যিসকল বীৰ ভুবনবিজেতা বুলি প্ৰসিদ্ধ তেওঁলোকেও অসমৰ বিৰুদ্ধে কৰা যুদ্ধৰ কোনো মীমাংসা কৰিব পৰা নাই"। ইয়াৰ লগতে আধুনিক যুগৰ লিখক এজনৰ মন্তব্যও উল্লেখ কৰিব পাৰি—"আফ্ৰিকাৰ অপৰাজেয় জাতি নিওমিদিয়ান আৰু মৌৰীটেনিয়ানসকল ৰোম সাম্ৰাজ্যৰ পক্ষে যেনে অজেয় আছিল মুছলমানৰ পক্ষে অসমীয়াসকলো তেনে অজেয় আছিল"!

যুদ্ধৰ সামৰণিত, বস্ত্ৰ ভৰা দি নাওঁ উজাবলৈ আয়োজন কৰাৰ নিমিত্তে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াই তেওঁৰ বন্দী আৰু লিগিৰা ৰোৰক শাস্তি দিবলৈ বিচাৰিলে, বোলে—"তহঁতে মোৰ এনে দুৰ্যশ আনিবলৈ খোজ? লোকে বুলিব মই ভৰা দিবলৈ কোৰাতহে দিছে"।

ৰামসিংহই ছল কৰি যুদ্ধক্ষেত্ৰ এৰি যোৱাৰ সম্ভৱ বুলি আহোমে ৰণৰ কাৰণে সষ্টম হৈ থাকিল। যুদ্ধৰ দিনা ৰাতি মোগলে বাহৰত খাই-বৈ আছিল। ৰামসিংহই পিচদিনা পুৱা আকৌ গুৱাহাটী আক্ৰমণ কৰিব পাৰে বুলি আহোম চোৰাংচাৱাই লাচিত বৰফুকনক জনালে। শত্ৰু সেনাৰ গতি-বিধিৰ বাতৰি সঘনে জানিবৰ নিমিত্তে বৰফুকনে খাপে খাপে বাতৰি-যোগনীয়া মানুহ থলে। মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াই আৰু অন্যান্য সেনাপতিক যুদ্ধৰ কাৰণে তৈয়াৰ হৈ থাকিবলৈ ক'লে। বঙালৰ প্ৰকৃত উদ্দেশ্য

কি এই বিষয়ে অচ্যুতানন্দ দলৈক সুধিলে। দলৈয়ে ধেমালিকৈ কলে বোলে—"আজি আমি বংহে চাম"। চোৰাংচোৱাই বৰফুকনক জনালে—"আক্ৰমণৰ কোনো আগন্তুক নাই। মোগলে তামিঘৰা ভাঙি তাক ভাঁজ কৰি নাৱত ভৰা দিছে। সিহঁতে ভটিয়াবলৈ আয়োজন কৰিছে"।

বৰফুকনে সৈন্যক এই বুলি আদেশ দিলে—"তহঁতে বঙালক দূৰৰপৰা খেদি যাবি, কিন্তু হিলৈ কাড় মাৰি সিহঁতক হাবাশাস্তি নকৰিবি। সিহঁত পুৰণা সীমা মানাহ পালেগৈ, তহঁতে তাতে এটা কোঠ দি সীমা ৰখি থাকিবি"। ইয়াৰ কাৰণে পঠোৱা ফৌজৰ সৈন্যই বৰফুকনক ক'লে যে—"আমি বঙালক ধৰিমনে? খেদি ধৰিলে বঙালৰ আহিলাপাতি কিছু পাম"। লাচিত বৰফুকন পলৰীয়া শত্ৰুৰ সা-সম্পত্তি লুটি চহকী হোৱা বিধৰ মানুহ নাছিল। তেওঁ মাত লগালে—"এক বৎসৰ যুদ্ধত নোৱাৰি বঙালে লাজ পাই ভটিয়াই যাবলৈ ধৰিছে, পলৰীয়া সৈন্যক লুৰি স্বৰ্গদেৱ আৰু পাত্ৰ-মন্ত্ৰীৰ কলঙ্ক আনিবলৈ মোৰ মন নাই"।

ফুকন ৰাজখোৱা জনচেৰেকেও পলৰীয়া বঙাল সৈন্যক ধৰিবলৈ মন কৰিছিল। ইয়াকে শুনি বৰফুকনে ক'লে—"ধৰিব পাৰিলে ভাল, কিন্তু আলাবৈত ৰামসিংহক আগবাঢ়ি ধৰি আমাৰ কেনে দুৰ্দশা হ'ল তাকে মনত ৰাখিব লাগে। কিন্তু পোনতে পলৰীয়া সৈন্যৰ বলাবল বুজিব লাগিব। খেদি ধৰিলে পৰিণামৰ কথা এবাৰ ভাবি চাবা, আৰু যি ভাল হয় তাকে কৰিবা"। বৰফুকনৰ ধৈৰ্যশীল মনোবৃত্তিয়ে সেনাপতিসকলৰ মনত প্ৰভাৱ বিস্তাৰ কৰিলে, আৰু তেওঁলোকে পলৰীয়া বঙালক আক্ৰমণ কৰাৰ প্ৰস্তাৱ পুনৰ উত্থাপন নকৰিলে। ১৫৯২ শকৰ চ'তৰ ২৩ দিন যাওঁতে, ১৬৭১ খৃঃ অব্দৰ ৫ এপ্ৰিল তাৰিখে, ৰামসিংহ ভাটিমুৱা হ'ল। হাজো এৰাৰ পূৰ্বে হয়গ্ৰীৱ মাধৱৰ মন্দিৰত পূজা কৰি তাত থকা ব্ৰাহ্মণসকলক ৰামসিংহই কলে বোলে—"বৰনৰাৰ লাচিত বৰফুকন সামান্য বীৰ

নহয়। যন্ত্ৰাহুতি গড়। নই একো ঠাইত ছিদ্ৰ নেপাওঁ"। বৰফুকনে গুৱাহাটী আৰু মানাহা—এই খণ্ডৰ ভিতৰত থকা কোঠলৈ আহোম সৈন্য পঠিয়ালে।

যুদ্ধ জয়ৰ বাতৰি গড়গাঁৱলৈ স্বৰ্গদেৱৰ তালৈ যথাবিধি পঠোৱা হ'ল। স্বৰ্গদেৱে যুদ্ধজয়ী সেনাপতিসকললৈ বহুমূলীয়া উপহাৰ পঠিয়ালে। স্বৰ্গদেৱে অচ্যুতানন্দ দলৈক সমুদ্ৰস্মৰি উপাধি দি, আৰু তেওঁক মাটি আৰু বেটী-বন্দী সমন্বিতে কামৰূপৰ কন্যা এটিক দিয়া দিয়ালে। অশ্বক্ৰান্তত পলাব খোজা সৈন্যক উদগনি দি ৰখাৰ কাৰণে নৰা হাজৰীকাক এহেজাৰ টকা পুৰস্কাৰ দিলে।

# লাচিত বৰফুকনৰ মৃত্যু

শৰাইঘাটৰ যুদ্ধৰ অলপ পাচতে লাচিত বৰফুকনৰ মৃত্যুত যুদ্ধ জয়ৰ আনন্দত শোকৰ ছাঁ পৰিল। মোগলক আক্ৰমণ কৰা সময়ত ফুকনৰ তীবপাতে জ্বৰ। তেওঁৰ শৰীৰে এনে মহাসমস্যাৰ ভাৰ সহিবলৈ অপাৰগ হলেও তেওঁৰ মনৰ অদম্য উৎসাহে কৰ্তব্যৰ পথত তেওঁক আগবঢ়াই নিছিল। তেতিয়া সৈন্যৰ অৱস্থা উৎসাহ-বিহীন হৈছিল। লাচিত বৰফুকনে সঙ্কটৰ সময়ত নিজে আগ হৈ যুদ্ধ পৰিচালনা নকৰা হলে অসমীয়াই নিন্দাজনকভাৱে পৰাজয় বৰণ কৰিব লগীয়া হ'লহেতেন। ইংলণ্ডৰ সুপ্ৰসিদ্ধ নৌ-সেনাপতি লৰ্ড নেলচনৰ দৰে লাচিত বৰফুকনেও ৰণ-লক্ষ্মীৰ কোলাত শেষ নিশ্বাস পেলালে, আৰু শৰাইঘাটৰ যুদ্ধ অসমীয়াৰ টেফেলগাৰ হল।

# ১৮২৬ চনলৈকে ঘটনাৱলীৰ আভাস

লাচিতৰ মৃত্যুত তেওঁৰ ককায়েক নিমাতী বৰফুকন হ'ল, তেওঁ মেটেকাতলীয়া লালুক সোলা বৰফুকন বা বুঢ়াফুকন নামেও জনাজাত। পুনৰ অসম আক্রমণৰ সুবিধাৰ আশাৰে ৰামসিংহই ১৬৭৬ চনৰ ফেব্রুৱাৰীলৈকে ৰঙামাটিত থানা কৰি আছিল। মোগলৰ সৈতে পুনৰ যুদ্ধ হোৱা আশঙ্কাত আহোমসকল গুৱাহাটীত তৈয়াৰ হৈ আছিল। ৰাজনীতি আৰু ৰণ-কৌশল, এই দুই বিষয়তে বিচক্ষণ বিষয়াসকল গুৱাহাটীত কেন্দ্রীভূত হৈ থকাত ৰাজধানী গড়গাঁৱত ৰাজকাৰ্য তলখাপৰ বিষয়াৰ প্রতিভা আৰু সামৰ্থৰ ওপৰত নির্ভৰ কৰিছিল। গড়গাওঁ ৰাজধানী প্রতিদ্বন্দ্বী মন্ত্রী আৰু সম্ভ্রান্ত পুৰুষ-সকলৰ অৰিয়া-অৰিৰ কেন্দ্ৰ হৈ পৰিল। সিংহাসনত বহা স্বৰ্গদেৱ-সকলক ৰজা পদৰপৰা গুচাই আৰু হত্যা কৰি আৰু প্রতিদ্বন্দ্বী আৰু সিংহাসনৰ যোগ্যতা থকা কোঁৱৰসকলকো অঙ্গক্ষত কৰি তেওঁলোকে ৰাজনৈতিক ক্ষমতা নিজে আৰু লগৰীয়াসকলৰ কাৰণে আত্মসাৎ কৰিবলৈ চেষ্টা কৰিছিল।

১৬৭০ চনত চক্রধ্বজসিংহ স্বৰ্গদেৱৰ মৃত্যু হোৱাৰেপৰা ১৬৮১ চনত গদাধৰসিংহ ৰজা হোৱালৈকে এই এঘাৰ বছৰ কালৰ ভিতৰত ছজনা কোঁৱৰ ৰাজপাটত বহে। ডেবেৰা বৰবৰুৱাৰ চক্রান্তত উদয়াদিত্য ৰজা নিহত হয়। ডেবেৰাই প্রতিদ্বন্দ্বী কোঁৱৰসকলক হত্যা কৰি বা অঙ্গক্ষত কৰি, নিজৰ শত্ৰুক বিনাশ কৰি, আৰু নিজ ইচ্ছামতে বিষয়া ভাঙি আৰু নিযুক্ত কৰি ডেবেৰাই এটা ভয়াবহ শাসনৰ সূত্রপাত কৰে। শৰাইঘটীয়া সেনাপতিসকলে উজনিলৈ গৈ ডেবেৰাক ধৰি বধ কৰিলে, আৰু নিজৰ মনোনীত কোঁৱৰ এজনক সিংহাসনত বহুৱালে। নিজৰ দূৰদৰ্শিতা আৰু নিস্বাৰ্থ গুণৰ প্ৰভাৱত মহামন্ত্রী আতন বুঢ়াগোঁহাই ডাঙৰীয়াই ৰাজ্যৰ দুর্যোগপূর্ণ অৱস্থাৰ শাম কটায়। সকলো দায়িত্বপূৰ্ণ

মানুহে দেশৰ একমাত্র ত্ৰাণকৰ্তা বুলি বুঢ়াগোহাঁই ডাঙৰীয়াক মুক্তকণ্ঠে স্বীকাৰ কৰিলে। বুঢ়াগোহাঁইক তুৱাৰকৈ ৰজা পতা হয়, কিন্তু সেই সন্মান তেওঁ তুয়োবাৰ প্ৰত্যাখ্যান কৰিলে।

বুঢ়াগোহাইৰ বাঢ়ি অহা ক্ষমতা দেখি লালুকসোলা বৰফুকনে তাক সহ্য কৰিব নোৱাৰিলে। তেওঁ নিজে ৰজা হব খুজিলে, আৰু দিল্লীৰ সম্রাটৰ সমৰ্থন পাবৰ অভিপ্ৰায়ে বঙ্গৰ চুবেদাৰ চুলতান আজমতৰাৰ সৈতে গুৱাহাটী এৰিবলৈ মন কৰি কথা-বাৰ্তা চলাবলৈ ধৰিলে।

লালুক বৰফুকনৰ দদায়েক বাহুলি তেতিয়া দেশান্তৰীভাৱে মোগলৰ লগত ঢাকাত আছিল। বৰফুকনৰ ভাগিনীয়েক ৰমণী গাভৰুৰ সৈতে ১৬৬৮ চনত চুলতান আজমতৰাৰ বিয়া হয়, তেতিয়াৰেপৰা গাভৰুৰ নাম হয় ৰহমত বাণু বেগম। লালুক বৰফুকনে এওঁলোক তুয়োজনাকে নিজৰ স্বাৰ্থসিদ্ধিৰ কামত লগালে। চুলতানৰ হৈ নবাব মনচুৰ-খাঁ গুৱাহাটী লবলৈ আহিল। ১৬৭৯ চনৰ মাৰ্চ মাহত লালুকসোলা বৰফুকনে মোগলক গুৱাহাটী এৰি দিয়ে, ইয়াৰ পৰিবৰ্তে মোগলে লালুকক চাৰিলাখ টকা বক্‌চিচ দিম বুলি গাত ললে, আৰু তেওঁক অসমৰ ৰজা পাতিম বুলিও আশ্বাস দিলে। নবাব মনচুৰ-খাঁ ন-কৈ অধিকাৰ কৰা ৰাজ্যখণ্ডৰ ফৌজাদাৰ নিযুক্ত হ'ল। লালুকে গড়গাঁৱলৈ উজাই গৈ তেওঁৰ গতিৰোধ কৰিবলৈ অহা মহামন্ত্রী বুঢ়াগোহাঁই ডাঙৰীয়াক বন্দী কৰিলে। লালুকে চৈধ্য বছৰীয়া কোঁৱৰ এটিক আনি ৰজা পাতিলে। তাৰ পাচত আতন বুঢ়াগোহাঁইক মাৰিলে। পলৰীয়া কোঁৱৰ গদাপাণিৰ গতিবিধিৰ বিষয়ে একো সন্ধেদ নিদিয়াত কোঁৱৰৰ ভাৰ্যা জয়মতী কুঁৱৰীক বধ কৰা হ'ল। লালুকে নিজে ৰাজক্ষমতা হস্তগত কৰি সকলো কাৰ্যৰ নিয়ন্তা হৈ পৰিল, কিন্তু নিয়তিয়ে তলে-তলে কাম কৰি আছিল। ১৬৮০ চনৰ নবেম্বৰ মাহত তেওঁৰ ঘৰৰে জনচেৰেক বিদ্রোহী পাইকে লালুকক হত্যা কৰিলে। এতিয়া মন্ত্রীসকলৰ

দেশ-প্ৰেমৰ চেতনা জাগ্ৰত হ'ল। সেইকালৰ অতি সাহসী কোঁৱৰ গদাপাণিক বিচাৰি তেওঁকে আনি মন্ত্ৰীসকলে সিংহাসনত বহুৱালে।

১৬৮১ চনৰ আগষ্ট মাহত গদাপাণিক যথানিয়মে সিংহাসনত অধিষ্ঠিত কৰিলে, ৰজা হৈ নাম ললে গদাধৰসিংহ। সিংহাসনত উঠি কিছুদিনৰ পাচতে স্বৰ্গদেৱে মনচুৰ-খাঁৰ বিৰুদ্ধে সৈন্য পঠিয়ালে। এই সৈন্যই গৈ ইটাখুলি যুদ্ধত বঙালক হৰুৱাই ১৬৮২ চনৰ আগষ্ট মাহত গুৱাহাটী উদ্ধাৰ কৰিলে। মানাহা নদী পুনৰ অসমৰ পশ্চিম সীমা হ'ল, আৰু ১৮২৪ চনত বৃটিছে আহি অসম লোৱালৈকে মানাহা অসমৰ পশ্চিম সীমা হৈ থাকিল। গদাধৰসিংহ স্বৰ্গদেৱে দেশত শান্তি আৰু শৃঙ্খলা পুনৰ সংস্থাপন কৰে। তেওঁৰ পুতেক ৰুদ্ৰসিংহ মহাৰাজে কাছাৰ আৰু জয়ন্তীয়া বশ কৰে, আৰু মোগল ৰাজ্য আক্ৰমণৰ উদ্দেশ্যে তেওঁ হিন্দুস্থানৰ, বিশেষকৈ বঙ্গৰ ৰজাসকলৰ বন্ধুত্ব আৰু সমৰ্থন পাবৰ নিমিত্তে কটকী পঠিয়ায়। স্বৰ্গদেৱে এই অৰ্থে অসংখ্য সেনানী লৈ গুৱাহাটীলৈ আহে। কিন্তু তেওঁৰ সৈন্যই মোগল দেশ আক্ৰমণৰ কাৰণে বঙ্গদেশত সোমোৱাৰ পূৰ্বেই গুৱাহাটীৰ বজাতুৱাৰ বাহৰত স্বৰ্গদেৱৰ মৃত্যু ঘটে।

স্বৰ্গদেৱ গদাধৰসিংহৰ দিনৰেপৰা তুংখুঙ্গীয়া ফৈদৰ আহোম স্বৰ্গদেৱসকলৰ শাসন আৰম্ভ হয়, আৰু ১৮২২ চনত মানে আহি তেওঁলোকক নেখেদোৱালৈকে তুংখুঙ্গীয়া ফৈদ ৰাজক্ষমতাত অধিষ্ঠিত হৈ থাকে। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি সূত্ৰে অসম দেশ বৃটিছৰ অধীনলৈ আহে।

# অম্বেৰৰ ৰজা ৰামসিংহ

অসমীয়া সেনাপতি লাচিত বৰফুকনৰ প্ৰতিদ্বন্দ্বী ৰামসিংহ ৰজা কচ্ছোৱা নামে ৰাজপুত ফৈদৰ বংশধৰ আছিল। এই পৰিয়ালে বাল্মীকিৰ ৰামায়ণৰ শ্ৰীৰামচন্দ্ৰৰ দ্বিতীয় পুত্ৰ কুশ কোঁৱৰৰপৰা উদ্ভব হৈছে বুলি দাবী কৰে। নিষধৰ নৃপতি আৰু দময়ন্তীৰ স্বামী নল ৰজাও কুশৰ বংশধৰ বুলি পৰিগণিত।

কচ্ছোৱাসকলৰ বংশাৱলী মতে তেওঁলোকৰ সৰ্বপ্ৰথম ৰজা ধোলাৰায়ে ধুন্ধৰ ৰাজ্য প্ৰতিষ্ঠা কৰে। পাচলৈ এই ৰাজ্যৰ নাম হয় অম্বেৰ, আৰু আজিকালি জয়পুৰ। ধোলাৰায়ৰ ছয় পুৰুষৰ পাচত হোৱা ৰজা পূজানে দিল্লীৰ চৌহান বংশীয় নৃপতি পৃথ্বীৰাজৰ ভনীয়েকক বিয়া কৰে। মুছলমানৰ লগত হোৱা প্ৰথমছোৱা যুদ্ধত পূজান ৰজাই জেঠেৰিয়েকৰ সৈন্যৰ এক বাহিনী ফৌজৰ সেনাপতি হয়, আৰু আক্ৰমণকাৰীসকলৰ লগত ৰণ কৰি পূজান নিহত হয়।

মুছলমানসকলৰ বশ্যতা স্বীকাৰ কৰা ৰাজপুতৰ ভিতৰত এই কচ্ছোৱা বংশৰ অম্বেৰাধিপতি বহৰমল ৰজা প্ৰথম আছিল। দিল্লীৰ সৰ্বপ্ৰথম মোগল সম্ৰাট বাবৰৰ পক্ষ লৈ বহৰমল সংগ্ৰামত লিপ্ত হয়। মুছলমান পাদশ্যাহসকলৰ সৈতে বৈবাহিক সম্বন্ধ স্থাপন কৰাত কচ্ছোৱাসকল প্ৰথম ৰাজপুত ফৈদ আছিল। ১৫৬২ চনত বহৰমল ৰজাৰ প্ৰথমা কন্যাক সম্ৰাট আকবৰে বিয়া কৰে, আৰু এওঁ চেলিম কোঁৱৰৰ পাচলৈ জাহাঙ্গীৰ বাদশ্যাহৰ মাতৃ হয়। ১৫৮৪ চনত চেলিম কোঁৱৰে বহৰমল ৰজাৰ উত্তৰাধিকাৰী ভগবানদাস ৰজাৰ কন্যাক বিয়া কৰে।

ভগবানদাসৰ ভতিজাক আৰু তোলনীয়া পো মানসিংহই ১৫৬২ চনৰ পাদশ্যাহী চাকৰিত সোমায়, আৰু কালক্ৰমে গৈ তেওঁ সাত-হাজাৰী মনচৱ লাভ কৰে। ১৫৮৯ চনত ভগবানদাসৰ পাচত

মানসিংহ অম্বেৰৰ সিংহাসনত উঠে। তেওঁ কিছুকাল কাবুলত পাদশ্যাহী চুবেদাৰ হয়, আৰু তাৰ পাচত বিহাৰ, হাজিপুৰ, পাটনা আৰু বঙ্গদেশৰ চুবেদাৰ হয়। তেওঁ নিজৰ বিস্তৃত ৰাজ্যৰ শাসন কাৰ্যত প্ৰকাৰান্তৰে স্বাধীন আছিল, আৰু সুবিচাৰ আৰু সংযমেৰে সৈতে তেওঁ শাসন কাৰ্য চলাইছিল।

পাদশ্যাহী অধিনায়কসকলৰ হৈ মানসিংহ অনেক সংগ্ৰামৰ সেনাপতি হৈছিল। মোগল সাম্ৰাজ্য বিস্তৃত আৰু দৃঢ়ীভূত কৰাত মানসিংহ ৰজাই ববঙ্গণি যোগাইছিল। আনপক্ষে চিছোদীয়া ৰাজপুত ৰজা মেৱাৰৰ মহাৰাণা প্ৰতাপে মোগল পাদশ্যাহসকলৰ সৈতে ৰাজনৈতিক আৰু বৈবাহিক মিত্ৰতা স্থাপন নকৰিবলৈ দৃঢ়-প্ৰতিজ্ঞ হয়। মানসিংহৰ পাদশ্যাহী কল-কৌশলৰ সমৰ্থনৰ লগত ৰাণা প্ৰতাপৰ দৃঢ়প্ৰতিজ্ঞাৰ তুলনা কৰিব পাৰি। চিৰস্মৰণীয় হালধীঘাটৰ ৰণত দুয়োজনা ৰাজপুত ৰজাৰ সৈন্য-বাহিনী সন্মুখীন হ'ল। চিতক নামে ঘোঁৰাত উঠি মহাৰাণা প্ৰতাপে হাতীত থকা মানসিংহক আক্ৰমণ কৰিলে, আৰু অপৰাজেয় কচ্ছোৱা সেনাপতিৰ গালৈ যাঠি নিক্ষেপ কৰিলে। হাউদাৰ তলত সোমাই মানসিংহই কোনোমতে প্ৰাণ ৰক্ষা কৰিলে, অৱশ্যে যুদ্ধৰ পৰিণাম ৰাণা প্ৰতাপৰ প্ৰতিকূল হ'ল। পৰাজিত হোৱা সত্ত্বেও মোগলক একনিষ্ঠভাৱে প্ৰতিৰোধ কৰাৰ সংকল্পৰপৰা ৰাণা প্ৰতাপ অকণো বিচলিত নহ'ল।

কোচবেহাৰৰ দুজনা কোঁৱৰ লক্ষ্মী নাৰায়ণ আৰু ৰঘুদেৱৰ প্ৰতিদ্বন্দ্বিতা আৰু অৰিয়া-অৰিয়ে মানসিংহক কামৰূপৰ ৰাজ্য সমস্যাৰ অন্তৰ্ভুক্ত কৰিলে। লক্ষ্মী নাৰায়ণে মোগলৰ বশ্যতা স্বীকাৰ কৰি ৰঘুদেৱক দমন কৰিবলৈ তেওঁলোকৰ সহায় বিচাৰিলে। ৰঘুদেৱে ইছে-খাঁৰ অধীনে থকা আফগানবিলাকৰ সমৰ্থন লাভ কৰিছিল। বঙ্গৰ চুবেদাৰ মানসিংহই ইছে-খাঁক আক্ৰমণ কৰি আফগান আৰু ৰঘুদেৱৰ সৈন্যৰ সংযোগৰ বাট বন্ধ কৰিলে। ৰঘুদেৱে উপায় নেপাই অসমৰ স্বৰ্গদেৱ চুখাম্‌ফা খোৰাৰজাৰ সহায়

বিচাৰিলে, আৰু নিজৰ কন্যা মঙ্গলদৈ গাভৰুক স্বৰ্গদেৱলৈ উপহাৰ দিলে।

পুৰণি অসমীয়া বুৰঞ্জীত, মানসিংহ ৰজাক সদায় 'মান্ধাতা ৰজা' বুলি কোৱা হয়, আৰু এঠাইত কি ছুঠাইত 'মাকুন্দ ৰজা' এই নাম-টোও পোৱা যায়। অসম বুৰঞ্জীত মানসিংহ আঠহাজাৰী নবাব আৰু এজন প্ৰধান যোদ্ধা বুলি উল্লেখ আছে। মোগল সম্ৰাটে তেওঁক সৰ্বতিকাল যুদ্ধ-বিগ্ৰহত ব্যস্ত কৰি ৰাখিছিল। মানসিংহ ৰজাই তেওঁৰ ৰাজপুত বীৰসকলৰ আগত এবাৰ আক্ষেপ কৰি কৈছিল, বোলে—"যুদ্ধ নকৰি ঘৰত বহি থাকিলে মই কিজানি গড় বান্ধি স্বাধীন হওঁ, এই বুলি পাদশ্যাহে ভয় কৰে। মোক পাদশ্যাই সকলো ৰণলৈকে পঠিয়াই, মই জিৰাবলৈ সময়কে নেপাওঁ। চিপাহীবিলাকেও দুখ পাই মোক শপে"।

বঙ্গদেশৰ পাঠান শাসনকৰ্তাৰ বিৰুদ্ধে মানসিংহক সেনাপতি পাতি পঠোৱা হ'ল। বঙ্গদেশলৈ আহোঁতে মানসিংহই মথুৰাত কেশৱ গোঁসাইৰ পূজাৰ অৰ্থে এটা মন্দিৰ সাজিবলৈ আজ্ঞা কৰিলে, আৰু বান্দৰবিলাকৰ কাৰণে বৃন্দাবনত এটা ঘৰ সাজি দিলে। মানসিংহই গয়াত শ্ৰাদ্ধ কৰিলে। তাৰ পাচত বাৰাণসীৰ কিলেদাৰ-খাঁৰ বিদ্ৰোহ দমন কৰিলে।

মানসিংহই গৌড়ৰ হুচেন-শ্যাহ পাদশ্যাহলৈ উকীল-পত্ৰ পঠালে, বোলে—"দিল্লীৰ পাদশ্যাহত তোৰ পিতৃ-পিতামহে মিল হৈ আছিল। এতিয়া তই কি কাৰণে জাহাঙ্গীৰ পাদশ্যাক পিঠি দি থাকিলি ? কোন গৰ্বে থাকিলি ? বিশেষ মই অম্বেৰৰ মান্ধাতা ৰাজা। এনে কেতেক পাদশ্যাহ মই বগলৰ তলে অনা-নিয়া কৰিছোঁ, দিল্লীৰ পাদশ্যাহৰ ঠাইত কটাইছোঁ, মৰাইছোঁ, আৰু একৱাইও খেদাইছোঁ, এতেকে মোত মিলোক আহি"। ইয়াৰ উত্তৰত হুচেন-শ্যাহে লিখি পঠিয়ালে—"দিল্লীৰ জাহাঙ্গীৰো পাদশ্যাহ, মইও গৌড়ৰ পাদশ্যাহ। পূৰ্বে মিত্ৰতাভাবে উকীল আয়াযাত কৰিছিল। এতিয়া তেওঁৰ

মানুহো নাহে, মোৰ মানুহো নেযায়। মান্ধাতা এটা ওমবাওহে, মই পাদশ্ব্যাহ হৈ তাত মিলিব লাগে, সি কোন বুদ্ধিত এই কথা মোলৈ লিখিছে ? যদি যুদ্ধৰ কাৰণে আহিছে তেন্তে আহক"। হুচেন-শ্ব্যাহে মানসিংহৰ চিঠি টুকৰা-টুকৰকৈ ফালিলে, আৰু উকীলক খেদি পঠিয়ালে।

হুচেন-শ্ব্যাহে বঙ্গৰ মুখিয়াল ৰজা ইছে-খাঁ মছন্দলী, ৰঘুনাথ ৰজা আৰু কোচবেহাৰ ৰজাৰ সহায় বিচাৰিলে, কিন্তু মানসিংহৰ দৰে এজন অগ্ৰগণী সেনাপতিৰ বিৰুদ্ধে সহায় কৰিবলৈ এওঁলোকে ইতস্ততঃ কৰিলে। ৰণত হুচেন-শ্ব্যাহ পৰিল, তেওঁক মানসিংহৰ দদায়েক চন্দ্ৰভাল ঠাকুৰে যাঠিৰে খুচি মাৰিলে। বঙ্গৰ ৰজাসকলে মানসিংহৰ বশ্যতা স্বীকাৰ কৰিলে। ঢাকাৰ নাম জাহাঙ্গীৰনগৰ হ'ল।

দিল্লীলৈ উভতি যাওঁতে মানসিংহই গঙ্গাৰ পাৰত ব্ৰাহ্মণে মাৰ্কণ্ডেয়-চণ্ডী পাঠ কৰা দেখিলে। ইয়াৰ মাহাত্ম্যৰ কথা শুনি মানসিংহই ব্ৰাহ্মণক এহেজাৰ টকা দক্ষিণা দিলে।

অসমীয়া বুৰঞ্জী মতে, সম্ৰাট জাহাঙ্গীৰে মানসিংহৰ আঠহাজাৰী মনচব ৰাখিলে, আৰু তেওঁক পাণ-তামোল খাবৰ নিমিত্তে তিনিলাখ টকা নগদ বকচিচ দিলে। বঙ্গৰ আফগান পাদশ্ব্যাৰ বিষয়ে মান-সিংহই জাহাঙ্গীৰক কলে—"মই যিমান ঠাইত যুদ্ধ কৰিছোঁ তাৰ ভিতৰত হুচেন-শ্ব্যাহক সৰ্বপ্ৰধান যোদ্ধা বুলি ভাবিছোঁ। তেওঁৰ সাহ অদম্য, আৰু তেওঁ জীৱনৰ আশা পৰিত্যাগ কৰি যুদ্ধত নামে। পাদশ্ব্যাহৰ পুণ্য প্ৰতাপৰ বলেহে তেওঁ যুদ্ধত পৰিল। আন কোনো তেওঁৰ সমান নহয়"।

১৬১৪ চনত মানসিংহৰ মৃত্যু ঘটে। কোচৰজা লক্ষ্মী নাৰায়ণৰ ভনীয়েক প্ৰভাৱতীক মানসিংহই বিয়া কৰাইছিল। তেওঁ স্বামীৰ চিতাত সহমৃতা হয়। মানসিংহৰ পিচত ভাওসিংহ অম্বেৰৰ সিংহাসনত বহে, তাৰ পাচত মহাসিংহ ৰজা হয়। অসংযত আৰু

উদ্‌ভ্ৰান্তৰূপে জীৱন ধাৰণৰ পৰিণামত এই দুজন ৰজা অকালতে মৃত্যুৰ মুখত পৰে।

জয়সিংহ ভগবানদাস ৰজাৰ ভায়েক জগতসিংহৰ নাতিয়েক আছিল। বিকানীৰৰ ৰজা ৰাওসিংহৰ জীয়েক আৰু সম্ৰাট জাহাঙ্গীৰৰ মহিষী যোধবায়ে মহাসিংহৰ পাচত জয়সিংহ ৰজা হোৱাৰ প্ৰস্তাব কৰিছিল। সম্ৰাটৰ প্ৰিয় মহিষী নুৰজাহান বেগমে এই প্ৰস্তাবৰ বিৰোধে আছিল। জয়সিংহ সাধাৰণতে মীৰ্জা-ৰজা জয়সিংহ নামে জনাজাত।

মহাৰজা জয়সিংহই কচ্ছোৱা পৰিবাৰৰ বীৰত্বপূৰ্ণ যশস্যা পুনৰ সংস্থাপিত কৰে। মোগল সাম্ৰাজ্য বিস্তাৰৰ কাৰণে তেওঁ বহু কাম কৰিছিল, অবশেষত ছয়-হাজাৰী মনচব লাভ কৰিছিল। তেওঁৰ তলত বাইশ-হাজাৰ ৰাজপুত সৈন্যই আৰু বাইশজন তলতীয়া ৰজাই সেনাপতিৰূপে কাম কৰিছিল। মানুহে ভাবিছিল ইচ্ছা কৰিলে জয়সিংহ মহাৰাজে মোগলক ক্ষমতাচ্যুত কৰিবলৈকো সমৰ্থ।

চাৰ যদুনাথ চৰকাৰে তেওঁৰ শিবাজীৰ গ্ৰন্থত কচ্ছোৱা ৰজা জয়সিংহৰ কীৰ্তি-কলাপৰ বিষয়ে এইদৰে কৈছে—"১৬১৭ চনত বাৰ বছৰীয়া মাউৰা ল'ৰা জয়সিংহই মোগলৰ চাকৰি লোৱাৰ দিনৰ পৰা তেওঁৰ গোটেই জীৱন অম্লান যশস্যাৰাশিৰে সুশোভিত হৈছিল। তেতিয়াৰেপৰা তেওঁ পাদশ্যাহী ধ্বজাৰ তলত সাম্ৰাজ্যৰ প্ৰতিডোখৰ ঠাইতে যুদ্ধ কৰি ফুৰিছিল,—মধ্য এচিয়াৰ অন্তৰ্গত বাল্‌খৰপৰা দাক্ষিণাত্যৰ বিজাপুৰলৈকে, আৰু পশ্চিমৰ কান্দাহাৰৰপৰা সুদূৰ মুঙ্গেৰলৈকে। সম্ৰাট ছাহজাহানৰ দীঘলীয়া ৰাজত্বত এনে এটি বছৰ পাৰ হোৱা নাছিল যি বছৰত কোনো ঠাইত জয়সিংহ ৰজাই যুদ্ধ কৰা নাছিল, আৰু যুদ্ধত শৌৰ্য-বীৰ্য দেখুৱাৰ কাৰণে চাকৰিত তেওঁৰ উন্নতি হোৱা নাছিল। ভাৰতবৰ্ষৰ বাহিৰে মোগল ৰাজ পৰিয়ালৰ সেনাপতিসকলৰ পৰিচালিত সৈন্যৰ আগসেনাৰ সেনাপতিৰূপে জয়সিংহক নিযুক্ত কৰি তেওঁৰ অসাধাৰণ সামৰিক

প্ৰতিভাৰ শলাগ লোৱা হৈছিল। পাচলৈ তেওঁ সৰ্বাধিকাৰী সেনাপতিৰূপে নিযুক্ত হৈছিল। কূটনীতি ক্ষেত্ৰত তেওঁৰ কৃতকাৰ্যতা সামৰিক ক্ষেত্ৰতকৈও অধিক আছিল। ক'ৰবাত বিষম সমস্যা আৰু আলফুলীয়া কাম সম্পাদন কৰিব লগীয়া হলে সম্ৰাটে জয়সিংহ ৰজাৰ সহায় লৈছিল। তেওঁ অপৰিসীম কৌশলী আৰু ধৈৰ্যশীল আছিল। মুছলমানৰ আদব-কায়দাৰ বিষয়েও তেওঁ সুপণ্ডিত আছিল, উৰ্দু ৰাজপুত উপভাষাৰ উপৰিও তেওঁ তুৰ্কী আৰু ফাৰ্চী ভাষাৰ সৈতে সুপৰিচিত আছিল। দিল্লীৰ সম্ৰাটসকলৰ চন্দ্ৰধ্বজাৰ তলে ৰণ কৰোঁতা আফগান আৰু তুৰ্কী, ৰাজপুত আৰু হিন্দুস্থানী, এই সকলেৰে সংগঠিত বিপুল সৈন্যবাহিনীৰ তেওঁ আদৰ্শ অধিনায়ক আছিল।"

এখন পুৰণি অসম বুৰঞ্জীত কোৱা হৈছে যে, জয়সিংহৰ শক্তি সামৰ্থ্য দেখি সম্ৰাট ছাহজাহান শঙ্কান্বিত হৈ অম্বেৰ ৰাজ্য মোগল সাম্ৰাজ্যৰ অঙ্গীভূত কৰিবলৈ অভিপ্ৰায় কৰিছিল। অম্বেৰ ৰজাৰ বলাবল নিজ চকুৰে চাবলৈ সম্ৰাটে ইচ্ছা কৰিলে। সম্ৰাটৰ অভ্যৰ্থনাৰ আয়োজন কৰিবৰ নিমিত্তে জয়সিংহ আগবাঢ়ি অম্বেৰলৈ গ'ল। ৰজাৰ ৰাজপুত পৰামৰ্শদাতাসকলে ছাহজাহানক ধৰি বন্দী কৰি জয়সিংহক দিল্লীৰ সিংহাসনত বহুৱাবলৈ মন কৰিলে। কিন্তু জয়সিংহই এই প্ৰস্তাবক প্ৰশ্ৰয় নিদিলে। সম্ৰাট যোৱা বাটৰ দুয়োকাষে যুদ্ধৰ সাজ পিন্ধি অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত হৈ ৰাজপুত সৈন্য-সকল শাৰী পাতি থিয় দি আছিল। সম্ৰাটে যিফালেই চকু মেলে সিফালেই যাঠি আৰু তৰোৱাল দেখিবলৈ ধৰিলে। অৱশ্যে সম্ৰাটৰ প্ৰতি কোনো অপ্ৰীতিকৰ ভাৱ দেখুৱা হোৱা নাছিল, আৰু তেওঁ অম্বেৰৰ অভ্যৰ্থনাত সুপ্ৰসন্ন হৈ দিল্লীলৈ উভতি আহিছিল।

সেই একেখন বুৰঞ্জীমতে উৰিষ্যা, ৰাজমহল, মৰাঙ্গ, কোচবেহাৰৰ বিদ্ৰোহী ৰজাসকলক বশ্য কৰিবলৈ, আৰু ঢাকা, চট্টগ্ৰাম, চিলহতৰ শাসনকৰ্তাসকলে কৰা অশান্তি আৰু অত্যাচাৰ দমন কৰিবলৈ জয়সিংহ ৰজাক পূৰ্বভাৰতলৈ পঠোৱা হ'ল। বিদ্ৰোহী ৰজাসকলৰ

বশ্যতা বিচাৰি জয়সিংহই তেওঁলোকলৈ উকীল-পত্ৰ পঠিয়ালে। কোচবেহাৰৰ ৰজাই সম্ৰাটলৈ মূল্যবান উপহাৰ দিলে আৰু নওৰোজা উৎসৱৰ সময়ত বছৰি চেলামী দিবলৈ গাত ললে। মৰাঙ্গ আৰু নেপালৰ ৰজাই নিজ-ইচ্ছাৰে আত্মসমৰ্পণ কৰিলে। উৰিষ্যাৰ সুবলসিংহ ৰজাই জয়সিংহ ৰজা আৰু তেওঁৰ সৈন্যলৈ মূল্যবান উপহাৰ পঠিয়ালে। জয়সিংহ ৰজাই জগন্নাথ মন্দিৰত পূজা-অৰ্চনা কৰিলে। পাদশ্যাহে তেওঁক মীৰ্জা-ৰজাৰ খিতাপ দিলে। দিল্লীলৈ উভতি যোৱাৰ পাচত জয়সিংহক কাশ্মীৰৰ যুদ্ধ দমাবলৈ পঠোৱা হয়।

ৰামসিংহ আৰু কিৰাতসিংহ নামে জয়সিংহৰ দুজন পুতেক আছিল। ৰবজনা পুতেক ৰামসিংহ দেউতাকৰ বেছিভাগ সংগ্ৰাম আৰু কূটনৈতিক কাৰ্য-কলাপৰ লগত জড়িত আছিল। ষোল বছৰ বয়সত পালি-সেনাপতিৰূপে ৰামসিংহ দেউতাকৰ লগত আজমীৰলৈ গৈছিল। উনৈছ বছৰ বয়সত ৰামসিংহই একহাজাৰী মনচব লাভ কৰে; তাৰ পাচত তেওঁ আঢ়ৈ হাজাৰ অশ্বাৰোহী সৈন্যৰ মনচবলৈ উন্নত হয়, তেতিয়া তেওঁ পাদশ্যাহী নিচান লবলৈকো অনুমতি পায়। সম্ৰাট ছাহজাহানে ৰামসিংহক তিনি হেজাৰ মনচবৰ মৰ্যাদা দিয়ে। দিল্লীৰ সিংহাসন লৈ খোৱা-কামোৰা হোৱাৰ সময়ত ৰামসিংহ আৰু তেওঁৰ দেউতাক জয়সিংহই সম্ৰাট ছাহজাহানৰ প্ৰথম পুত্ৰ দাৰা-চুকহৰ পক্ষ সমৰ্থন কৰিছিল। ৰামসিংহই চমুগড় যুদ্ধত যোগদান কৰে। সেই সুবিখ্যাত যুদ্ধত দাৰাচুকহৰ পৰাজয় হোৱাত তেওঁৰ আশা-ভৰষাৰ অন্ত পৰিল, আৰু ভায়েক আওৰঙ্গজেৱৰ হাতত ৰাজদণ্ড ন্যস্ত হ'ল। এতিয়া ভাগ্যবন্ত আওৰঙ্গজেৱৰ পক্ষে ৰামসিংহ আৰু তেওঁৰ দেউতাকে নিজৰ ৰাজভক্তি আৰু সমৰ্থন প্ৰয়োগ কৰিবলৈ ধৰিলে। ৰামসিংহই কিছুদিন শ্যাহাজাদা মহম্মদ চুলতান আৰু নবাব মীৰজুমলাৰ তলত চাকৰি কৰিছিল। আৰু শ্যাহাজাদা চুজাক খেদি যোৱা কামত লিপ্ত আছিল। পাচলৈ দাৰাচুকহৰ পুতেক চুলেমান

চুকহক শ্ৰীনগৰত ধৰি বন্দী কৰাৰ অভিযানত ৰামসিংহই অংশ গ্ৰহণ কৰিছিল।

মহাৰাষ্ট্ৰীয় বীৰ শিবাজী মহাৰজাৰ বিৰুদ্ধে অভিযানেই হৈছে মীৰ্জাৰজা জয়সিংহ আৰু তেওঁৰ পুতেক ৰামসিংহৰ জীৱনৰ সৰ্বপ্ৰধান ঘটনা। এই অভিযানৰ পৰিণামত শিবাজীয়ে আত্মসমৰ্পণ কৰে, তাৰ পাচত শিবাজী আগ্ৰালৈ যায়, আৰু কিছুদিনৰ পাচত তেওঁ তাৰপৰা পলাই সাৰে। দাক্ষিণাত্যত শিবাজীৰ কাৰ্য-কলাপ দেখি সম্ৰাট আওৰঙ্গজেৱ আতঙ্কিত হৈছিল। দাক্ষিণাত্যৰ চুবেদাৰ নবাব ছায়িষ্টা-খাঁক তেওঁৰ পুণাৰ ঘৰৰ শোৱনি কোঠালিত, ১৬৬৩ চনৰ ৫ এপ্ৰিলৰ দিনা শিবাজীয়ে আক্ৰমণ কৰে। তেওঁৰ বুঢ়া আঙুলি মাত্ৰ হেৰুৱাই চুবেদাৰ পলাই সাৰে, আৰু তেওঁৰ পুতেকক শিবাজীৰ মানুহে হত্যা কৰে। ১৬৬৪ চনৰ আৰম্ভণিতে অতি সমৃদ্ধিশালী চুৰাট নগৰী লুণ্ঠন কৰি শিবাজীয়ে এককোটি টকাতো অধিক ধন পায়। দাক্ষিণাত্যৰ নতুন চুবেদাৰ চুলতান মোৱাজ্জেম আৰু তেওঁৰ সেনাপতি ৰাথোৰৰ যশোৱন্ত সিংহ শিবাজীৰ বুদ্ধি আৰু কৌশলৰ সমকক্ষ নাছিল, আৰু তেওঁলোকে মহাৰাষ্ট্ৰীয় বীৰ শিবাজীৰ ৰণত লেখত লবলগীয়াভাৱে কোনো কৃতকাৰ্যতা লাভ নকৰিছিল।

১৬৬৪ চনৰ ছেপ্টেম্বৰ মাহত আওৰঙ্গজেৱে জয়সিংহ ৰজাক শিবাজীৰ বিৰুদ্ধে অভিযানৰ সেনাপতি নিযুক্ত কৰিলে। শিবাজীক জীয়াই-জীয়াই ধৰি সম্ৰাটক সমৰ্পণ কৰিব বুলি জয়সিংহ ৰজাই প্ৰতিজ্ঞা কৰিলে। এই কথা শুনি সম্ৰাটে সদায় পিন্ধি থকা মুকুতাৰ মণিধাৰ ডিঙিৰপৰা সোলোকাই জয়সিংহৰ ডিঙিত পিন্ধালে। জয়সিংহৰ তলে সেনাপতি আছিল দিলেৰ-খাঁ-দাউদ-জাই, দাউদ-খাঁ কোৰেছী, ৰজা ৰামসিংহ ছিছোদিয়া আৰু জয়সিংহৰ দুয়ো পুতেক ৰামসিংহ আৰু কিৰাতসিংহ। এই উপলক্ষে সম্ৰাটে ৰামসিংহক চুৰপাও, সোণৰ অলঙ্কাৰ আৰু হাতী উপহাৰ দিয়ে। চুলতান মোৱাজ্জেমক ওভোতাই অনাত জয়সিংহৰ ওপৰত দাক্ষিণাত্যৰ শাসনভাৰ অৰ্পিত কৰা হয়।

১৬৬৫ চনৰ ৩ মেই তাৰিখে জয়সিংহ পুণা পায়গৈ। তেওঁ গৈ যশোৱন্তসিংহ মহাৰজাবপৰা দক্ষিণী সৈন্যৰ ভাৰ গ্ৰহণ কৰে। শত্ৰুৰ মাজত ভেদ সৃষ্টি, আৰু শত্ৰুপক্ষীয় সেনাপতিসকলক ধন-সোণ উপহাৰেৰে কলুষিত কৰাৰ চক্ৰান্ত আদি যুদ্ধৰ সকলো কৌশল অবলম্বন কৰি জয়সিংহই মহাৰাষ্ট্ৰীয়সকলক বশ কৰিবলৈ চেষ্টা কৰিলে। শিবাজী আছিল ভোঁচলা ফৈদৰ বংশধৰ। জয়সিংহৰ গুপ্তচৰে শিবাজীৰ বিৰুদ্ধে শত্ৰুভাব পোষণ কৰা, আৰু ভোঁচলা ফৈদৰ অপ্ৰত্যাশিত পয়োভৰ সহিব নোৱাৰা সকলো মানুহকে জয়সিংহই লগ পাবলৈ ধৰিলে। মোগলৰ তলত উচ্চপদবীৰ অঙ্গীকাৰ কৰি জয়সিংহই শিবাজীৰ বিষয়াসকলক তেওঁলোকৰ অধিনায়কক ত্যাগ কৰিবলৈ প্ৰলোভন দেখুৱালে। এই কূটনৈতিক প্ৰযত্নৰ উপৰিও মাৰাথীসকলৰ দুৰ্গ আদি আক্ৰমণ কৰিবলৈকো বিস্তৃত আয়োজন চলিল। প্ৰথমতে মোগলৰ কিছু পৰিমাণে পৰাজয় ঘটিল, আৰু দিলেৰ-খাঁ আৰু দাউদ-খাঁৰ মাজত তীব্ৰভাৱে মনোমালিন্য হ'ল। জয়সিংহ আৰু দিলেৰ-খাঁৰ মাজতো বিভেদ সৃষ্টি হ'ল। জয়সিংহই কূটনৈতিক কৌশলেৰে শিবাজীক বশ কৰিবলৈ প্ৰস্তাৱ কৰিছিল, কিন্তু এই প্ৰস্তাৱ চলি থকা অবস্থাতে দিলেৰ-খাঁই পুৰন্দৰ দুৰ্গৰ সম্মুখত হিলৈ পাতিবলৈ ধৰিলে। মাউলী আৰু কোঙ্কনী সৈন্য একৌজে দিলেৰ-খাঁৰ আক্ৰমণৰ প্ৰতিৰোধ কৰিলে। জয়সিংহই এই বিপৰ্যয়সমূহক স্বীকাৰ কৰি কৈছিল,—"আমি শত্ৰুৰ বিৰুদ্ধে আক্ৰমণ চলোৱাত অসমৰ্থ হৈছোঁ, এইটো স্বীকাৰ কৰিব লাগিব।" যশোৱন্ত সিংহ আৰু জয়সিংহ এওঁলোক দুজনাৰ দ্বাৰা পৰিচালিত মোগল অভিযানত মাৰাথীসকলৰ জয়লাভৰ বাতৰি সুদূৰ আহোম স্বৰ্গদেৱৰ চ'ৰাতো জনাজাত হৈছিল। দাক্ষিণাত্যত মোগল সৈন্যৰ পৰাভৱ হোৱাত শত্ৰুক আক্ৰমণ কৰি গুৱাহাটী আৰু কামৰূপৰপৰা খেদাবলৈ আহোমসকলে সুবিধা বুলি ভাবিছিল। কিন্তু অলপ দিনৰ পাচতে যুদ্ধৰ গতি মোগলৰ সপক্ষে চলিবলৈ ধৰিলে। দিলেৰ-খাঁই